# FOCUS

An annual publication of the Department of Political Science

Vol.-3, Issue-1 :: March, 2023

Bimala Prasad Chaliha College, Nagarbera
Kamrup, Assam




Editor:

**Dr. Diganta Kalita**

# FOCUS

An annual publication of the Department of Political Science

**Bimala Prasad Chaliha College, Nagarbera**
Kamrup, Assam

**Vol-3, Issue-1** **March: 2023**

**Editor:**
Dr. Diganta Kalita

# FOCUS

An annual publication of the Department of Political Science

**Bimala Prasad Chaliha College, Nagarbera**
Kamrup, Assam

**March: 2023**

**Vol-3, Issue-1**

**Advisory Board:**
**Dr. Kamal Chandra Pathak,** M.A., Ph.D. D. Litt.(Principal, B.P. Chaliha College)
**Dr. Alaka Hujuri,** Co-ordinator, IQAC, B.P. Chaliha College
**Prof. Noor Alam,** Rtd. HoD, Dept. of Political Science

**Editorial Board:**
**Prof. Upen Kumar Saha,** HoD, Dept. of Political Science
**Miss Manisha Das,** Asst. Prof. (Contractual), Dept. of Political Science

**Editor:**
**Dr. Diganta Kalita,** Asst. Professor, Dept. of Political Science

**Frequency of Issue: Annual**

**Mailing Address:**
Dept. of Political Science, B.P. Chaliha College
P.O. Nagarbera (781127), Dist. Kamrup, Assam
E-mail: dkalita72@gmail.com
© Dept. of Political Science, B.P. Chaliha College, Nagarbera

**Disclaimer:** The opinions expressed in the articles published journal are the opinions of the authors. The members of the Editorial Board of FOCUS are in no way responsible for the opinions expressed by the authors.

Office of the Principal & Secretary
**B.P. CHALIHA COLLEGE, NAGARBERA**
P.O.-NAGARBERA
Dist : Kamrup(Assam)
Pin : 781 127
Estd : 1972
Ph : 03623-245001
Cell : 9613310707
Fax : 03623-245001
E-mail : bpccnagarbera1972@gmail.com
Web site : www.bpchalihacollege.org

Memo No.....

Date.....................

From :

**Dr. Kamal Chandra Pathak**, *M.A., Ph.D.*
*Principal/Secretary*
*B.P.Chaliha College, Nagarbera*

# MESSAGE

Date: 04/01/2023

I feel happy to know that the Department of Political Science, B.P.Chaliha College, Nagarbera is contemplating to Publish its annual journal ***'FOCUS'*** (Vol-I, Issue-3) like the previous years for the session 2022-23 very soon.

***'FOCUS'***, I think, will focus mainly the hidden and inherent talents of the budding scholars of the department.

Further, I wish all success to this honest ventures for which it is meant for.

Dr. Kamal Ch. Pathak
Principal
B.P.Chaliha College, Nagarbera

Principal
B.P. Chaliha College
Nagarbera

# MESSAGE

Date: 03.01.2023

With profound pleasure I greatly appreciate the Department of Political Science, B. P. Chaliha College, Nagarbera for adding this work of value to the greater flow of knowledge as the department is going to publish their departmental journal *Focus, Vol-3, Issue-1.* They have created this yearly publication with the intention of providing a space for the generation of knowledge, debate, and collaboration among community of students and teachers of the same department. This type of efforts is a platform for the students to express their creative pursuits which help to develop in them originality of thoughts and perceptions. This kind of exercises would not only help in the holistic growth of the students, but also strengthened their belief in teamwork in this fast-paced world.

I congratulate the Editor, the Editorial Team and contributors for their hard work and dedication that has resulted in the publication of this issue of the journal and I wish them in continuation of this process in newer heights in coming days.

**Dr.AlakaHujuri**
**Coordinator, IQAC,**
**B. P. Chaliha College, Nagarbera**

# সূচীপত্ৰ


- Panchayati Raj Institution and Its Role Towards Rural Development ✍ Upen Kr. Saha ❐1
- The right to information act,2005 ✍ David Medhi ❐3
- Plagiarism: An Analysis in Social Science Research ✍ Dr. Diganta Kalita ❐7
- ভাৰতবৰ্ষত মহিলা সৱলীকৰণঃ ✍ ধৃতাশ্ৰী তালুকদাৰ ❐13
- বিশ্বায়ন আৰু পুঁজিবাদ ✍ চফিকুল আলী ❐18
- ষষ্ঠ অনুসূচী আৰু ভাৰত যুক্তৰাষ্ট্ৰ ✍ কুদ্দুছ আলী ❐21
- বীৰ লাচিত বৰফুকন ✍ মুন আলী ❐24
- চীনৰ ৰাজনৈতিক অৰ্থনীতিঃ এক অধ্যয়ন ✍ হিয়ামণি পাঠক ❐26
- সামাজিক মাধ্যমঃ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ.... ✍ প্ৰতীক্ষা কলিতা ❐31
- পৰিৱৰ্তিত পৰিস্থিতিত ভাৰত-চীন সম্পৰ্কৰ মূল্যায়ন ✍ গাৰ্গী মেধি ❐33
- মুক্তিযোদ্ধা লাচিত বৰফুকন ✍ মনিকা চৌধুৰী ❐39

# Panchayati Raj Institution and its Role Towards Rural Development

**Upen Kr. Saha**
HoD, Dept. of Political Science

Panchayati raj in india is primarily concerned with devolution in which the 73[th] amendment of the Indian constitution confers constitutional status to a “thired stratum.” That exists within the government system at district, sub-divisional village levels.

Now, coming to Indian scenario, we have reason to believe that the most stringing image of decentralization is Gandhijis vision of village swaraj in which universal education , economic self sufficiency and village democracy would take the place of caste , untouchability and other forms of rural exploitation. Gandhiji was a true democrat . He believed in village autonomy . According to him, village is the nerve-centre of the machinery of the state. In his ideal society, Gandhiji wanted both economic as well as political decentralization. By political decentralization, he meant that the state authority should be reduced to the minimum and maximum authority should be given to the village community. According to Jay Prakash Narayan “ Panchayati Raj Institution should act as the unit of self-government at village, block and district levels. In acting as the units at self government , they will undertake responsibility which they can discharge within of their resource and requirement.” The fact is that a democratic polity involves decentralization of power in a way that the affairs of the local people are managed by their positive participation.

But have we may print out the fact since Independence- the B Mehta commission of 1957, the Ashok Mehta Commission of 1978, the G.V.K. Rao Committee of 1985,are landmarks in the evolution of democratic decentralization.

The Community Development Movement when it was introduced in 1952 and intensified from 1953 onwards had sought for a regional approach to planning and

development of the rural areas, It also wanted at the same time to ensure that the people of the areas, at least the elite of the villages, should be associated with the process of decision-making, where the community development programmes were in operation.

However, the 73rd Amendment of the Indian constitution gives villages, block and district level bodies a constitutional status under Indian law. Under the 73rd amendment, one third of all seats must be reserved for women. Likewise, reservation for scheduled cast and scheduled tribes are made in proportion to their population. At the village level, the gram sabha, which constitutes all eligible voters within a gram panchayat area, is ment to serve as a principal mechanism for transparency and accountability.

The 73rd and 74th amendment are designed to promote self-governance through statutory recognition of local bodies. They are expected to move away from their traditional role of simply executing the programs handed down to them by higher levels of governments and to formulate and implement their own programs of economic development and social justice.

Thus, the 73rd amendment covers many areas that would enable the panchayat to improve the needs and well-being of the poor and vulnerable groups.

*Reference*

1. Sanjay Prakash Sharag process of decentralization in india Vista International Publishing House, New Delhi.
2. Vasant Desai, Rural Development in india, Himalaya publishing house, Mumbay & New Delhi, (Reprint), 2010.
3. Bhattachary, S.N., Community Development : An analysis of the programme in India, Academic Publisher, Culcutta,1970.
4. Haarithain, C., Panchayati Raj and the Rural Development: A study of Tamil Nadu: Concept Publishing House, New Delhi,1973.
5. Gaikward, V.R, Panchayati Raj and Bureaucracy : National Institute of Community Development, Hyderabad,1969.
6. Maheswari, S.R, Local Government in India, Laxmi Naryan Agarwal,(Reprint)2010-11.

# The right to information act, 2005

**David Medhi**
Ex-Student

The right to information act, 2005 is an important milestone in the development of the democratic system of our country. It is an act to established central information commission and state commissions to enhance transparency and accountability in the functioning of every public authority and to introduce political methods of Citizens right to it. The act has been passed by the parliament of India, which introduce a practical method so that citizens can easily access information under the control of public authorities of India except Jammu and Kashir . Jammu and Kashmir has its own right to information act titled " Jammu and Kashmir right to information , 2009." Under this act, citizens can seek information under the control of public authorities (in the simplest sense, central and state government departments, public sector banks , insurance companies, NGOs receiving government etc) at a fixed fee. This act was passed by parliament on June 15, 2005 and came into full force from October 12 of that year. The right to information act, 2005, citizens can:

a) Request government functions, document etc.

b) Request notes or certified copies of document.

c) Request certified samples of goods for a fixed fee.

d) Request copies of information stored on computers or any such device electronically ( on floppies, disks, videos, cassettes etc) or by printing out.

However, some information is not obliged to be provided by public authorities. Information that may disrupt national security, information that is obstructed by the court or subject to court condemnation if disclosed, information that violates the privileges of parliament or the legislature, information obtained in secret from foreign governments, information that obstructs investigation, security related information can not be obtained under this act.

Under this act, a public information officer has been appointed in every government office, public sector banks and insurance institutions. The task of providing information is over seen by this officer. Citizens should apply to the public information officer seeking any

information. The time limit for disposal of application is 30 days however, if the subject matter of application is related to life or property of any person, the information must be provided within 48 hours. If the request of the applicant is not acceded to by the public information officer within the specified time frame or the public information officer gives wrong information or the applicant is not satisfied with the calculation of the expenses incurred on the supply of information, then an appeal can be filled against it.

As we know, information means anything including documents, memorandum, e-mails, opinions, press- release, pamphlets, tenders, registration books, contacts, reports, papers, samples, patterns, information contained in any electronic form. Each state government shall constitute a group called the state information commission to implement the powers assigned to each state government gazette and to implement the function directed under this act.

In a series of trial proceeding since 1975, the supreme court has recognized that article 19(1)(a) of the constitution gurantess the right to freedom of speech , the right to disclose and the right to know information as fundamental rights. However, at a time when the first two were recognized and the scope increased day by day, but at the same time citizens could not enjoy the right to know the information due to lack of proper procedure. Finally , the information act in 2005 suitably codified this right. While drafting the act, suggestions were taken from the RTI activities and their provisions were very well systematized. The presentation of the act state that the effectiveness of democracy requires transparency, corruption has to be controlled and there must be accountability of the government. After identifying some practical obstacles to its implementation, the conflicting views were consolidated and india achieved one of the most transparent laws in the world. The use of this powerful law started to raise awareness among the citizens. Within the first 5 to 7 years, the citizens were able to realize the possibilities of how to use this law in a powerful way. The people understood that they could hold the government accountable and keep a close eye on the various activities of the government. Several scandals were thus exposed and government servants began to look with respect upon the real rulers of the state, i.e the citizens. Citizens started getting ration card, income tax refunds and many others benefits. Most importantly, citizens began to be held accountable. The fear of facing

a fine made government servants even more sensitive to providing information. In the last 15 years, crores of RTI application have been filled across the country.

However, those in power have always created hurdles against RTI. It seems everyone talks about transparency. Everybody wants others to be transparent but does not express a desire to participate in transparency in their own regard. Corrupt people naturally hate it and treat those who are true as an insult to their arrogance when questioned about their decisions and actions. RTI has been pushed into darkness by those who have imposed resistance as most of the power stations in the administration have entered the purview of the RTI.

The first unfortunate and notable indication of this was the supreme courts observation in 2011 of CBSE vs Aditya banerjee to prevent the act from being turned into a tool that could violate nation building and unity or peace, harmony and solidarity among its citizens and would not be allowed to be misused. Nor should honest officers, who are always ready to perform their duties, be turned into tools to show beggaries and put pressure on them.

On the other hand, most of the information commission which were created as the final appellate bodies, are also not functioning satisfactory. The second appeals in the commission were pending for years and they were generally very lax in enforcing the penal provisions of the law on the guilty public servants. The government and public information officers began to observe that they would not face any serious consequences if they did not agree with the provisions of the act. In the worst case scenario, the commission can decide the provisions. While the law does not permit any appeal outside the commission, these decisions are often challenged in courts as maskoreding writs. It thus becomes easier to deny the fundamental rights of citizens in important and ongoing matters.

( according to the RTI act, despite being a public authority run by the prime minister and three ministers, the PM cares fund has shamefully refused to provide information about their functioning. Many issues related to COVID-19 and many information related to procurement have not been MLAs were even restricted. The central information commission has declared major political parties as public authorities. These parties have not challenged the decision in any court. However, due to an unnecessary arrogance, he has refused to obey this legal order. Commissioners and public information officers have refused to provide enough information through negligence and misleading interpretation of the act.)

In any case, citizens are also mobilizing their energies to implement the act. Even if the citizens have not been able to implement the law, the power of the people has been gathered. People has been empowered by the law and it has been discussed in many groups to implement the RTIs virtual platform board during the COVID-19 pandamic. A PIL has been filed in the Bombay high court to ensure all hearings through virtual platform and to direct the information commission to dispose of all cases through time limit procedure. Citizens have used to e-platform with great enthusiasm and connectivity has been established across the country. This can lead to a common evolution of issues and further strengthen the fundamental rights of the citizens. The Bombay high court has pointed out the issue that RTI violations may impede the right to freedom of speech and expression by obstructing article 19(1)(a). " we must also mention that freedom of speech is the most widely abused freedom recently." Chief justice SA bobde said last week. RTI can move forward or backward.

The RTI act, although not completely free from flaws, still has great potential for this law. The government should immediately identify the flaws in this act and take measures to remove them and try to make it a strong pillar of democray.

# Plagiarism: An Analysis in Social Science Research

**Dr. Diganta Kalita,**
Asst. Professor
Dept. of Political Science

**Introduction:**

Research is a systematic and socially organised quest for something new and better insight. Research has an impact on society. Good research work can be useful for improving social condition. It can help provide information needed to make informed decision in the public or private sector. The responsibility of research is to seek the truth. Therefore the researcher has a responsibility to adhere research ethics standards. Plagiarism is an important ethical issue in present time in the field of research which is unacceptable and serious breach of ethical standard.

Like other discipline plagiarism is a serious issue confronting the social sciences. Though in the discipline of natural sciences, humanities, arts, plagiarism has been caught but in the field of social sciences catching and penalizing plagiarism has been a rarity. In this paper we have make an analysis of plagiarism in the field of social sciences.

**Meaning of Plagiarism:** The word plagiarism comes from the Latin word plagiaries. It means abducting, kidnapping, seducing or plundering. The act of stealing content of another person and publishing is as one's own is a form of intellectual property right. Plagiarism is an act of fraud.

According to Oxford dictionary Plagiarism is the practice of taking someone else work or ideas and passing them off one's own.

The code of student Rights Responsibilities and conduct (2005) at Indian University Bloomington states that:[1]

1. A student must not adopt or reproduce ideas, opinions, theories, formulas, graphics or pictures of another person without acknowledgement.

2. A student must give credit to the originality of others and acknowledge an indebtedness whenever

   a) Directly quoting another person's actual words, whether oral or written

   b) Using another person's ideas, opinions or theories

   c) Paraphrasing the words, ideas, opinions or theories of others whether oral or written

   d) Borrowing facts, statistics or illustrative material: or

   Offering materials assembled or collected by others in the form of projects or collections without acknowledgement.

**Why Plagiarism?**

Plagiarism is an offense. But it is growing day by day. What are the reasons behind plagiarism? We can state some reasons as follow-

1. Availability of ready material on the internet: One reason of increase plagiarism in today is the widespread access to the internet. Plagiarism had never been easier it is today. The internet made it easy to find thousands of relevant sources in seconds and in a few minutes one can find copy and paste together an entire paper.

2. Time Constraints: Time constraint is another reason of plagiarism. In present time the pressure of assignment, seminars degrees etc. are growing day by day. To meet the goal within time limit a student or a researcher downloaded material from the internet or copied from books and journals and passed off as his own.

3. Absence of strict anti-plagiarism policy: Absence of an institutional policy on plagiarism is another cause of plagiarism. There is belief among the plagiarizer that they will not get caught. Therefore they do not fear in doing plagiaries.

4. Language skill limitation: Language skill limitation is a genuine cause of plagiarism. Most of researcher has the idea but they do not know how to express it. Therefore

the researcher copies from someone who has the same idea and also the ability to express it.[2]

5. There is another reason of plagiarism is the lake of time of the guide. Because of their lake of time they do not able to check the thesis chapter of the research scholar duly.

Some example of Plagiarism:

Though in have not made any case study about plagiarism but here I have give some example which is collected from secondary sources. In June, 2013, the Xadin (an Assamese weekly newspaper) published from Guwahati reported a case of plagiarism of a textbook. The chapter of the textbook where plagiarism has been made is included in the syllabus of the curriculum of a reputed university. The plagiarist does plagiarises in the Chapter ' Machiavelli and the Jew of Malta' which is copied from Khristopher Marior's drama' The Jew of Malta' which is available in the website http://www.ctiticalread.com/lit/authors.2/machiavelli.html

Another example in one recent case in a national seminar of a social science department, one paper presenter copied material from a resource person. But unfortunately the resource person also present in that seminar while he was presenting his paper. He was immediately caught.

Such types of plagiarism are increasing. Students, research scholar, even some teachers and lecturers of universities also indulge in it. Therefore it becomes very important to take step against plagiarism immediately.

**Step taken by University Grants Commission (UGC)**

UGC have already laid down the condition through its notification (minimum Standards and Procedure for Award of M. Phil./Ph.D Degree, Regulation 2009of dt. 01.06.2009) that a soft copy of every M. Phil. and Ph. D. Thesis is to be submitted to INFLIBNET with the aim of facilitating open access to it worldwide through ETDs (Electronic Theses and Dissertations) over the internet. This will help in minimizing duplication of research work, containing plagiarism, and ensuring visibility to research work. INFLIBNET is

the sole agency looking after documentation and has now digitized various papers; theses and dissertations generated by UGC funded universities across the country. INFLIBNET has set up a Shodhganga: A Reservoir of Indian Theses, which is open for free access from http://ietd.inflibnet.ac.in/.

UGC has also suggested norms in research that every researcher has to publish two papers in reputed Indian journals during the course of his/her doctoral research. This ensures that a part of his research comes in public domain and if there is any wrong doing or duplication, it gets noticed.

Recently in 2012, UGC has made it compulsory for all colleges and universities to install a plagiarism detecting software to check plagiarism in research work. The UGC's planned Minimum standards and Procedure for award of MPhil/ Ph.D Degrees Regulations 2012 clearly states that the academic council of an institution should develop a mechanism to identify plagiarism by using well developed software and gadgets that can detect academic theft.[33] Some of the universities of our country have adopted these policies to combat plagiarism. Such as Babasaheb Ambedkar Marathwada University (BAMU) authorities have decided to install anti plagiarism software from the 2013-14 academic years to prevent plagiarism. Their objective is to stop plagiarism. They have develop a plan according to which no research work of the research work would be approved without getting an anti plagiarism report to be duly attested by the chief librarian. After the scanning of the research work of the researcher, the software would given a report clearly mention the percentage of plagiarism. The researcher would be issued recommendations on the basis of the report. Definitely this kind of activities would help to stop plagiarism.

Though like BAMU, some educational institutions has adopted anti plagiarism policies but plagiarism malady is still much deeper and afflicts others besides students. Therefore all the universities and the other educational institutions with the government must take step to prohibit plagiarism. It is the demand of time.

**How to avoid Plagiarism:**

Research is largely based on others material, data and research results. There is nothing wrong in using ideas from others. But the thing is that when someone uses others material he must give credit to him. Following are some way to avoid plagiarism

A student must give credit to the originality of others whenever-

1. It is word coping from another author, using of quotation is very necessary

2. Acknowledgement is very necessary while adopt or reproduce ideas, opinions, theories formulas Graphics or pictures of another person.

3. Paraphrasing, citation of the original source and crediting all the original sources for any information that may have been borrowed.

**Conclusion**: Research always wants originality. Plagiarism is a serious ethical issue which is unacceptable and constitutes a serious breach of ethical standards. A plagiarist undermines not only his reputation as a researcher but also credibility of the research.

**(Endnotes)**

1) www.indiana.edu/-istd/definition.htmlcited in Katju Manjari, Plagiarism and Social Science, Economic and Political Weekly, Feb 26, 2011 VOL.XIVI No. 9

2) Katu Manjuri, 'Plagiarism and social science *Economic and Political Weekly* Feb 26, 2011 VOL.XIVI No. 9

3) http://articles.times of India.indiatimes.com/2013-05-20/Aurangabad/39391504-1 research scholars-antiplagiarism.software-research work.

***References:***

1) Resnik, B.David, what is Ethics in Research & Why is it Important? 1 May, 2001
2) *Guidelines for Research Ethics in the Social Sciences, Law and the Humanities,* FORSKNINGSETISKE-KOMITEER, National Committees for Research Ethics in Narway.
3) Katu Manjuri, 'Plagiarism and social science, *Economic and Political Weekly* Feb 26, 2011 VOL.XIVI No. 9

# ভাৰতবৰ্ষত মহিলা সৱলীকৰণঃ সমস্যা আৰু সম্ভাৱনা

ধৃতাশ্ৰী তালুকদাৰ
প্ৰাক্তন ছাত্ৰী,
ৰাজনীতি বিজ্ঞান বিভাগ

আৰম্ভণিঃ

বৰ্তমান 'মহিলা সৱলীকৰণ' এটা সততে আলোচিত বিষয়। মহিলা সৱলীকৰণে মহিলাসকলক প্ৰত্যেক ক্ষেত্ৰতে আনৰ অধীনৰ পৰা মুক্ত হোৱাটোকে বুজায়। মহিলা সৱলীকৰণৰ বাবে মহিলাসকলৰ শৈক্ষিক, স্বাস্থ্য, অৰ্থনীতিৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ আদি দিশসমূহ শক্তিশালী কৰা দৰকাৰ।

সৃষ্টিৰ ঘাই শিপাডালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ মানৱ জাতি অস্তিত্বহীন। প্ৰাচীন কালত নাৰী শিক্ষা অতি আৱশ্যকীয় বুলি বিবেচনা কৰিছিল। ভাৰতবৰ্ষত সদা স্মৰণীয় মহিলাৰ ৰূপত জিলিকি কীৰ্তিৰে উজ্বলি আছে গাৰ্গী, মৈত্ৰেয়ী, সীতা, কুন্তী, দ্ৰৌপদী, মীৰাবাঈ, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, সৰোজনী নাইডু, কস্তুৰবা, মাদাৰ টেৰেছা, পদ্মশ্ৰী নলিনীবালা দেৱী, নিৰ্মল প্ৰভা বৰদলৈ, চন্দ্ৰ প্ৰভা শইকীয়ানী আদি। মহাকাশচাৰী কল্পনা চাওলাৰ কথা নকলোৱেইবা। মূলা গাভৰুৱে যুদ্ধত অংশগ্ৰহণ কৰিছিল। বৰৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজ্য চলাইছিল। নাৰীৰ সেই সময়ৰ সন্মান, মৰ্যদা অসীম আছিল। কিন্তু এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লে সমগ্ৰ নাৰী শিক্ষিত আৰু সুৰক্ষিত বুলিব নোৱাৰি। আজি সংসদ আৰু বিধানমণ্ডলত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হ'ল যদিও ১১ শতাংশতকৈ অধিক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই।

**সাম্প্ৰতিক সময়ৰ কেইখনমান মহিলা সৱলীকৰণ আঁচনি ঃ**

এতিয়াৰ প্ৰশাসনীয় ব্যৱস্থাই নাৰী সুৰক্ষা তথা নাৰী শিক্ষাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ন কৰিছে। তলত আঁচনিসমূহৰ বিষয়ে বহলভাৱে আলোচনা কৰা হ'ল।

**"বেটী বাচাও-বেটী পঢ়াও" ঃ**

এই "বেটী বাচাও-বেটী পঢ়াও" যোজনাখনে ছোৱালীৰ শিক্ষা আৰু সুৰক্ষাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। এই আঁচনিখন লিংগ অনুসৰি ০-৬ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত থকা অ-সমানুপাত দূৰীকৰণৰ হেতু কেন্দ্ৰীয় চৰকাৰে ২০১৫ চনৰ ২২ জানুৱাৰীত হাৰিয়ানাৰ পানীপথ জিলাত শুভাৰম্ভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ সমানে ৰাজ্যসমূহেও এই আঁচনিখন গ্ৰহণ কৰে। লিংগ বৈষম্য দূৰীকৰণ,

কন্যা শিশুক সুৰক্ষা প্ৰদান তথা ভ্ৰূণ হত্যা বন্ধ কৰা আৰু ছোৱালীৰ শিক্ষা সু-নিশ্চিত কৰা আঁচনিখনৰ মুখ্য উদ্দেশ্য।

**সুকন্যা সমৃদ্ধি যোজনা ঃ**

২০১৫ চনৰ ২১ জানুৱাৰী তাৰিখে "বেটী বাচাও-বেটী পঢ়াও" আঁচনিখনৰ অন্তৰ্গত "সুকন্যা সমৃদ্ধি যোজনা" নামৰ এখন আঁচনি আৰম্ভ কৰা হৈছিল আৰু ২০১৮ চনৰ ২৩ জুলাই তাৰিখে এই আঁচনিখনৰ কিছুক্ষেত্ৰত পৰিৱৰ্তন কৰা হয়। আঁচনি অনুসৰি ১০ বছৰতকৈ সৰু ছোৱালী এজনীৰ অভিভাৱক বা পিতৃ-মাতৃয়ে সেই ছোৱালীজনীৰ নামত নিকটৱৰ্তী ডাকঘৰ বা বেংকত ২৫০ টকাৰে এটা একাউণ্ট খুলিব পাৰিব। আৰম্ভণিতে জমাৰ পৰিমাণ ১০০০ আছিল, এতিয়া কমি গৈ ২৫০ টকা হৈছে। এই ধন ১৪ বছৰ বয়সলৈ জমা কৰিব পাৰিব আৰু ছোৱালীজনীৰ ২১ বছৰ সম্পূৰ্ণ হ'লেহে মেচিঅ'ৰিটি হ'ব। সেইদৰেই অভিভাৱকে আৰ্থিকভাৱে কন্যা শিশু এজনীক সুৰক্ষিত কৰিব পাৰিব।

**মহিলা সমৃদ্ধি যোজনা ঃ**

মহিলাসকলৰ ৰোজগাৰ ব্যৱস্থাৰ বাবে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে মহিলা সমৃদ্ধি যোজনা নামৰ এখন আঁচনি ৰূপায়ন কৰিছিল। এই আঁচনিখনৰ উদ্দেশ্য হ'ল– আত্মসহায়ক গোটবোৰক আৰ্থিক সাহায্য প্ৰদান কৰা। ক্ষুদ্ৰ ধন প্ৰদান কৰি গ্ৰাম্য মহিলাসকলক স্বাৱলম্বী কৰি গ্ৰাম্য অৰ্থনীতিৰ বিকাশ সাধনৰ ওপৰত গুৰুত্ব দিয়া হয়। এই আঁচনিৰ অধীনত উপলব্ধ ঋণ ৪ বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগে। এই আঁচনিখন দুখীয়া বিধৱা তথা আৰ্থিকভাৱে পিছপৰা মহিলাসকলক সাহায্য প্ৰদানৰ নিমিত্তে ৰূপায়ন কৰা হৈছিল। অৱশ্যে এই আঁচনিখনৰ জৰিয়তে বহুসংখ্যক মহিলা স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে।

**কনকলতা মহিলা সৱলীকৰণ আঁচনি ঃ**

২০১৮ চনৰ ১ এপ্ৰিল তাৰিখে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে "কনকলতা মহিলা সৱলীকৰণ আঁচনি"ৰ শুভাৰম্ভ কৰে। এই আঁচনিখনৰ অধীনত ১ লাখ আত্মসহায়ক গোট গঠন কৰি ১০ লাখ মহিলাক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ১ লাখ আত্মসহায়ক গোটক ২৫,০০০ টকা দিয়া হ'ব আৰু যিসকলে ১৫,০০০ ঘূৰাই দিছিল চৰকাৰে তেওঁলোকক অতিৰিক্ত ১০ হাজাৰ টকা প্ৰদান কৰিছে। এইদৰে দুৰ্বল, দৰিদ্ৰ আৰু অসহায় মহিলাসকলক ঋণ প্ৰদান কৰি স্বাৱলম্বী হোৱাৰ পথ দেখুৱাইছে। যাৰ জৰিয়তে মহিলাসকল আত্মনিৰ্ভৰশীল হৈ আৰ্থিকভাৱে সবল জীৱন-যাপন কৰাৰ লগতে আনকো সহায় কৰিব পাৰিব। *("নাৰী আৰু পুৰুষ উভয়ে হাতত ধৰা-ধৰিকৈ আগবাঢ়ি গৈছে। নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰী এই কথা কল্পনা কৰিবলৈও কঠিন; কিয়নো প্ৰাকৃতিকভাৱে পৃথক সত্ত্বা হৈও দুয়ো সত্ত্বা হৈছে এটা আনটোৰ পৰিপূৰক। নাৰী বহুদূৰ আগুৱাই গৈছে। আকাশ চুইচে নাৰীয়ে, হিমালয়ৰ শিখৰত ভৰি দিছে নাৰীয়ে। তথাপিও কোনোবাখিনিত যেন এতিয়াও বিসংগতি ৰৈ গৈছে। কি সেই বিসংগতি? সমাজ ব্যৱস্থাই ইয়াৰ কাৰণ নে আমাৰ পাশ্চাদগামী মানসিকতা? বহুতে আকৌ এই বিসংগতিৰ সৈতে অতি আধুনিকতাৰ প্ৰসঙ্গটোকো সজোৰে উত্থাপন কৰে। কিন্তু প্ৰকৃত সত্য কি?")*

**মহিলা ই-হাট ঃ**

ডিজিটেল ভাৰতে সামৰি লোৱা "মহিলা ই-হাট" যোজনাৰ মূল উদ্দেশ্য হৈছে- সেইসকল গৃহিনী যিসকলে কামে-কাজে নিপুন হোৱা সত্ত্বেও স্বাৱলম্বী নহয়। গৃহিনীসকলৰ ওপৰত দৃষ্টি ৰাখিয়েই মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এনেকুৱা এখন ই মঞ্চ তৈয়াৰ কৰিছে য'ত মহিলাসকলে ঘৰত বহিয়ে নিজৰ কৌশল খটুৱাই উপাৰ্জন কৰি আত্মনিৰ্ভৰশীল হ'ব। যাৰ বাবে এই আঁচনিখনৰ নাম "ই-হাট" দিয়া হৈছে।

**ৱান ষ্টপ চেণ্টাৰ আঁচনি ঃ**

দেশ কঁপাই যোৱা "নিৰ্ভয়া কাণ্ড"ৰ পিছত এখন আঁচনি ৰূপায়ন কৰা হৈছিল। সেয়াই আছিল "ৱান ষ্টপ চেণ্টাৰ" আঁচনি। এই আঁচনিখনে হিংসা বা অত্যাচাৰৰ বলি হোৱা মহিলাসকলক সুৰক্ষা প্ৰদান কৰাৰ উপৰিও তেওঁলোকক আৰক্ষী, আইন, চিকিৎসা তথা পৰামৰ্শ সেৱা আগবঢ়াবলৈ প্ৰস্তুত কৰা হৈছে।

**নাৰী শক্তি পুৰস্কাৰ ঃ**

দুৰ্বল আৰু পীড়িত মহিলাসকলৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি থকা বিভিন্ন সংস্থা তথা মহিলাসকলক উদ্‌গণি দিবৰ বাবে এখন আঁচনি প্ৰৱৰ্তন কৰা হৈছে। সেইখনেই হৈছে- "নাৰী শক্তি পুৰস্কাৰ" আঁচনি। ২০১৯ চনত এই আঁচনিখন গ্ৰহণ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে নগদ পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে।

**নাৰী সৱলীকৰণত সন্মুখীন হোৱা কিছুমান ব্যাধি ঃ**

নাৰী আৰু পুৰুষ উভয়ে হাতত ধৰা-ধৰিকৈ আগবাঢ়ি গৈছে। নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰী এই কথা কল্পনা কৰিবলৈও কঠিন; কিয়নো প্ৰাকৃতিকভাৱে পৃথক সত্ত্বা হৈও দুয়ো সত্ত্বা হৈছে এটা আনটোৰ পৰিপূৰক। নাৰী বহুদূৰ আগুৱাই গৈছে। আকাশ চুইচে নাৰীয়ে, হিমালয়ৰ শিখৰত ভৰি দিছে নাৰীয়ে। তথাপিও কোনোবাখিনিত যেন এতিয়াও বিসংগতি ৰৈ গৈছে। কি সেই বিসংগতি? সমাজ ব্যৱস্থাই ইয়াৰ কাৰণ নে আমাৰ পাশ্চাদগামী মানসিকতা? বহুতে আকৌ এই বিসংগতিৰ সৈতে অতি আধুনিকতাৰ প্ৰসঙ্গটোকো সজোৰে উত্থাপন কৰে। কিন্তু প্ৰকৃত সত্য কি?

প্ৰকৃত সত্য এয়াই যে আমাৰ দেশত আজিও দৈনিক ১০৬ গৰাকীকৈ নাৰী ধৰ্ষণৰ বলি হয়, দিনেও সন্ধানহীন হয় ৬ শতাধিক। বিদ্যালয়-মহাবিদ্যালয়, খেলপথাৰ, ৰেল-বাছ, কতোৱে সুৰক্ষিত নহয় নাৰী। ৫ বছৰীয়া কন্যাক বিদ্যালয়লৈ পঠিয়াবলৈ লওতেও কঁপি উঠে মাতৃৰ বুকু। কঁপি নুঠিবয়ে বা কিয়? য'ত মাতৃ নিজে কঁপি থাকিবলগা হয় ভয়ত। কোনো জৰুৰী কামত বহু সাহস কৰি ওলাই আহিলেও চিনাকী পুৰুষৰ দু-চকুৰ চাৱনিয়ে ভেদ কৰি যায় পোচাক। আকৌ সেই একেই প্ৰশ্ন, এনে কিয় হয় আমাৰ দেশত! কিছুদিন আগত ছোচিয়েল মিডিয়াত একাংশ লোকে এটা পোষ্ট কৰিছিল। পোষ্ট আছিল এনে ধৰণৰ– "নগ্নতা যদি ফেশ্যন হয়, ধৰ্ষণ তেন্তে শাৰীৰিক ব্যায়াম" এই পোষ্টটো প্ৰত্যক্ষ কৰি যিকোনো যুক্তিবাদী লোকে হতচকিত হৈ পৰাটো নিশ্চিত। কেনে নীচ মানসিকতাৰ লোকৰ মনলৈ এনে চিন্তা আহিব পাৰে। এই কথা ভাবি মই বহু সময় ধৰি তভক মাৰি আছিলো। ভাবিছিলো এনে লোকে লিঅ'নাৰ্ডো দ্য ভেঞ্চিৰ সেই বিখ্যাত সৃষ্টি মনালিছাৰ হাঁহিলৈ চাই হয়তো কোনো কালেই বিস্মিত হ'ব নোৱাৰিব। উপলব্ধি কৰিব নোৱাৰিব নাৰীৰ সৌন্দৰ্য্যৰ

আঁৰৰ সৌন্দৰ্য'। দুৰ্ভাগ্যৰ কথা এয়ে যে এতিয়া এনে চিন্তাৰ লোকেৰে ভৰি পৰিছে আমাৰ সমাজ। মুঠৰ ওপৰত নাৰী সৱলীকৰণ, নাৰী সুৰক্ষা, নাৰীৰ অধিকাৰ সকলোবোৰতে কেৱল ধুঁৱলী-কুঁৱলী সদৃশ পৰিৱেশ। ভিতৰুৱা গাঁৱৰ কন্যা হিমা দাসে অলেখ কষ্টৰ মাজত লাভ কৰা সাফল্যৰ বাতৰি পঢ়ি হোৱা গৌৰৱবোধ অনুভৱ কৰিবলৈ নৌ-পাওতে ঘৰৰ কাষৰে ঠাইখনত সংঘটিত হোৱা বোৱাৰী নিৰ্যাতন অথবা ৫ বছৰীয়া কন্যা শিশুক ধৰ্ষণৰ বাতৰি। এইবোৰৰ মাজতো আমি আশাবাদী হৈ পৰো বিদেশৰ সেই বিশেষ খবৰবোৰ পঢ়ি "নিউজিলেণ্ডৰ এগৰাকী মন্ত্ৰী, মহিলা কল্যাণ বিভাগৰ দায়িত্বত আছে জুলি এনিজেণ্টাৰ। তেওঁ সন্তান জন্ম দিবলৈ বুলি নিজেই চাইকেল চলাই গৈ ভৰ্তি হৈছে হস্পিতালত"। হয় এয়াই মহিলাৰ শক্তি, সাহস, এয়াই প্ৰকৃত মহিলা সৱলীকৰণ।

২১ শ শতিকাৰ দ্বিতীয় দশকৰ দুৱাৰ দলিত বাল্য বিবাহৰ দৰে কু-সংস্কাৰ সমাজ জীৱনৰ বাবে এক অভিশাপ। ভাৰতত প্ৰায় ৪৭ শতাংশ কন্যা সন্তানৰ ১৪ বছৰৰ আগেয়ে বিবাহ সম্পন্ন কৰা হয়। ৰাষ্ট্ৰসংঘৰ এটা সমীক্ষা মতে, সৰ্বাধিক বাল্যবিবাহ প্ৰচলন থকা বিশ্বৰ দেশসমূহৰ ভিতৰত ভাৰতৰ স্থান দ্বিতীয়। শিক্ষা, অধিকাৰ মৰ্যদাৰ পৰা শৈশৱ কৈশোৰক বঞ্চিত কৰা বাল্য বিবাহ বিশ্বজনীন সামাজিক কু-সংস্কাৰ। দৰিদ্ৰতা তথা সামাজিক নিৰাপত্তাহীনতা বাল্য বিবাহৰ প্ৰধান কাৰণ। কিশোৰী কন্যা সন্তানক দায়িত্বৰ বোজা পাতলাবলৈ ১৪ বছৰৰ আয়েগে বিয়া দিয়ে। শিক্ষা, স্বাস্থ্য আদি মৌলিক অধিকাৰ হেৰুৱাই সেই কিশোৰীসকলে অকাল বৈবাহিক বান্ধোনৰ দাসত্বৰ বন্দী হৈ থাকে। অসম, পশ্চিমবংগ, বিহাৰ, ৰাজস্থান, হাৰিয়ানা আদিত বাল্য বিবাহৰ প্ৰচলন আছে।

ভাৰতবৰ্ষত যদিও বিভিন্ন আঁচনিৰ জৰিয়তে নাৰী সুৰক্ষাত গুৰুত্ব আৰোপ কৰিছে তথাপিও কিছু ক্ষেত্ৰত সম্পূৰ্ণ সফল হ'ব পৰা নাই। সাধাৰণ নাৰীসকলৰ ক্ষেত্ৰত সেয়া হৈ উঠা নাই। আজিও পদে পদে লাঞ্ছিতা হয় তেওঁলোক। সেইবোৰ প্ৰত্যক্ষ কৰিয়ে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি পুৰুষ প্ৰধান আমাৰ সমাজত প্ৰচলিত হৈ আহে ""অবলা নাৰী"ৰ দৰে শব্দবোৰ। আজিও দিনে পঢ়িবলৈ পাও— নাৰী নিৰ্যাতন, ভ্ৰূণ হত্যা, ডাইনী হত্যা, ধৰ্ষণকে ধৰি নানান খবৰ।

**মহিলাৰ বাবে আসন সংৰক্ষণ ঃ**

ভাৰতীয় গণতন্ত্ৰত সংৰক্ষণ ব্যৱস্থা বৰ গুৰুত্বপূৰ্ণ। বিভিন্ন সময়ত এই বিষয়ত যথেষ্ট বিবাদৰো উদ্ভৱ নোহোৱা নহয়। বহুতে অভিযোগ আনিছিল যে যেতিয়া ১৯৯৩ চনত মহিলাৰ বাবে আসন সংক্ষণ ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছিল, সংৰক্ষণ ব্যৱস্থাৰ লাভ পুৰুষে উপভোগ কৰিছিল। তেতিয়া মহিলাসকলক মাত্ৰ ৰাবাৰ ষ্টাম্পৰ দৰেহে ব্যৱহাৰ কৰা হৈছিল। কিন্তু বৰ্তমান পৰিস্থিতি সলনি হৈছে। শিক্ষিত মহিলাসকলে বৰ্তমান সমাজক সেৱা কৰাৰ বাবে ৰাজনৈতিক সুবিধাবোৰৰ উচিত ব্যৱহাৰত গুৰুত্ব দিছে।

আজি মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰি দিছে। মহিলাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে কেন্দ্ৰীয় কেবিনেটে পঞ্চায়তীৰাজ অনুষ্ঠানৰ বাবে বৰ্তমানে ৩৩ শতাংশৰ ঠাইত ৫০ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

মহিলাসকলৰ ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণৰ বাবে সংৰক্ষণ এক প্ৰচেষ্টা। সংৰক্ষণে মহিলা

প্ৰাৰ্থীসকলক নিজৰ অঞ্চলৰ সমস্যাবোৰ সমাধানৰ বাবে সুযোগ প্ৰদান কৰে। গাঁৱৰ সমস্যাসমূহ স্থানীয় শাসনৰ জৰিয়তে গাঁও পৰ্যায়তে সমাধানৰ বাবে চেষ্টা কৰা হয়। মহিলাসকলে সমস্যাসমূহ বেছি সূক্ষ্মভাৱে বুজিব পাৰে। যিবোৰ সমস্যা নিবনুৱা, খোৱাপানী, ৰাস্তা, পোহৰ, বিদ্যালয়, স্বাস্থ্য আদিবোৰৰ লগত জড়িত। এইবোৰ মহিলাসকলৰ দ্বাৰা অধিক ক্ষিপ্ৰতাৰে সমাধান কৰাৰ থল আছে।

**সামৰণি ঃ**

"এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে দহগৰাকী ব্যক্তিক শিক্ষা দিয়া, এটা পৰিয়ালক শিক্ষিত কৰা, এখন সমাজ শিক্ষিত কৰা।" —ওপৰোক্ত উক্তিটো আছিল জাতিৰ পিতা মহাত্মা গান্ধীৰ। তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে, যেতিয়ালৈকে নাৰী শিক্ষিত নহয়, তেতিয়ালৈকে নাৰী - কু-সংস্কাৰ, অন্ধবিশ্বাস, ঘৰুৱা হিংসা, ধৰ্ষণ আদিৰ বলি হৈয়ে থাকিব। সেয়েহে আমাৰ সমাজত নাৰী শিক্ষা খুবেই প্ৰয়োজন। ওপৰোক্ত সমস্যাসমূহৰ কাৰণ হিচাপে যদি যাবলৈ যাওঁ তেতিয়াহ'লে দেখা যায় নিৰক্ষৰতা বা অনগ্ৰসৰতাই হৈছে তাৰ মূল কাৰণ। শিক্ষাই ঘৰৰ চাৰিবোৰৰ দেৱালৰ মাজত আৱদ্ধ এগৰাকী নাৰীৰ বাবেই সুন্দৰ বৰ্হিজগতত প্ৰৱেশ কৰা এক উন্মুক্ত দ্বাৰ। আমাৰ সমাজ ব্যৱস্থাই অত্যাধুনিক বিজ্ঞান প্ৰযুক্তিয়ে উপহাৰ দিয়া অত্যাধুনিক গেজেদসমূহকে বিনা প্ৰশ্নই আকোঁৱালি লৈছে, আকোঁৱালি লোৱা নাই আধুনিক বিজ্ঞানসন্মত চিন্তা-ধাৰা। যাৰ বাবে আমি শুনিবলৈ পাও কোনো পৰিস্থিতিত আপোনজনৰ সৈতে কটোৰা অন্তৰংগ মুহূৰ্তৰ ফটো ভাইৰেল হৈ পৰিলে অপমানত জৰ্জৰিত হৈ নিজক শেষক কৰি পেলোৱাৰ বাতৰি।

সামৰণিত ক'ব পাৰি যে সম্পূৰ্ণৰূপে নহ'লেও কিছু পৰিমাণে হ'লেও মহিলা সৱলীকৰণৰ দৰে আঁচনিসমূহ সফল হোৱা দেখা গৈছে। আমাৰ আশা — ধৰা-ধৰিকৈ আগবাঢ়ি যাওক নাৰী আৰু পুৰুষ। এই পৃথিৱীত চলক নাৰী-পুৰুষৰ সমান ৰাজত্ব। এনেকৈয়ে নিশ্চয় এদিন আহিব সুন্দৰ সময়। ☐☐

# বিশ্বায়ন আৰু পুঁজিবাদ

চফিকুল আলী
দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণিঃ**

বিশ্বায়ন হৈছে এক বহুদিশ সম্পন্ন বিশ্বব্যাপী পৰিঘটনা। মানুহৰ দৈনন্দিন জীৱনৰ পৰা আৰম্ভ কৰি সমাজ জীৱনৰ প্ৰায়বোৰ দিশ যেনে- সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদিত বিশ্বায়নৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। পুঁজিবাদৰ বিকাশ আৰু ইয়াৰ সাম্ৰাজ্যৰ সম্প্ৰসাৰণত বিশ্বায়নৰ ভূমিকাও কম নহয়। সাম্প্ৰতিক সময়ত বিশ্বায়ন প্ৰক্ৰিয়া বিশ্বৰাজনীতিৰ আৰু বিশ্ব অৰ্থনীতিৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। দ্বিতীয় বিশ্ব যুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত বিশ্ব ৰাজনীতিত সংঘটিত হোৱা বিভিন্ন ঐতিহাসিক ঘটনা, যেনে- বাৰ্লিন দেৱালৰ পতন, জাৰ্মানীৰ একত্ৰীকৰণ, ইউৰোপিয়ান সংঘসমূহৰ উত্থান, ছোভিয়েট সংঘৰ ভংগ, শীতল যুদ্ধৰ অৱসান, সাম্যবাদৰ অৱদমন আদিয়ে পুঁজিবাদ আৰু উদাৰ গণতন্ত্ৰৰ বিকাশত অৰিহণা যোগাইছিল। ইয়াৰ লগে লগে বিজ্ঞানৰ চমকপ্ৰদ আৱিস্কাৰ, যোগাযোগ আৰু তথ্য প্ৰযুক্তিৰ উন্নতকৰণে বিকাশৰ ঘাট সুচল কৰি গোলকীকৰণ যুগলৈ সকলোকে আমন্ত্ৰণ জনালে। এই ব্যৱস্থাই দেশসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক, কাৰিকৰী আৰু সামাজিক, সাংস্কৃতিক দিশসমূহৰ অন্তঃ সংযোগ ঘটালে আৰু বিশ্বায়নৰ প্ৰক্ৰিয়া আৰু এখোপ আগুৱালে।

**বিশ্বায়ন আৰু পুঁজিবাদ ঃ**

মানুহৰ জীৱনৰ প্ৰায়বোৰ দিশতে বিশ্বায়নৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। যাৰ বাবে সাম্প্ৰতিক যুগটোকেই বিশ্বায়নৰ যুগ বুলি কোৱা হয়। সাধাৰণ কথা-বতৰাত সমাজৰ প্ৰতিটো স্তৰৰ লোকেই বৰ্তমান বিশ্বায়নৰ কথা কয়। বাহ্যিক জগতলৈ আমি দৃষ্টি নিক্ষেপ কৰিলে দেখা পাওঁ যে বৰ্তমানে বিশ্বৰ যিকোনো দেশত উৎপাদিত সামগ্ৰী কম সময়ৰ ভিতৰতে আন দেশবোৰত উপলব্ধ হয়, দূৰদৰ্শনৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইত সংঘটিত হোৱা ঘটনাপ্ৰবাহ ক্ষিপ্ৰতাৰে সমগ্ৰ বিশ্বত বিয়পি পৰে। এখন দেশৰ সাংস্কৃতিক বৈশিষ্ট্যই আন এখন দেশক চুই যায়। এখন দেশৰ অৰ্থনৈতিক সংকটে আন এখন দেশত প্ৰভাৱ পেলাই ইত্যাদি। এই দৃশ্যপটসমূহ বিশ্বায়নৰ প্ৰত্যক্ষ প্ৰভাৱ। অৰ্থাৎ বিশ্বায়ন এক এনে প্ৰক্ৰিয়া যিয়ে এখন দেশৰ বিষয়ে জনাৰ সুবিধা কৰি দিছে আৰু আৰ্থ-সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিকভাৱে দেশসমূহক পৰস্পৰ নিৰ্ভৰশীল কৰি তুলিছে। গতিকে, চমু অৰ্থত যি প্ৰক্ৰিয়াৰ দ্বাৰা দেশ বা অঞ্চলৰ ভৌগোলিক পৰিধি অতিক্ৰম কৰি কোনো দেশৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, সংস্কৃতি আদি আন আন দেশবোৰৰ সৈতে সংযুক্ত হৈছে বা দেশসমূহে পৰস্পৰে পৰস্পৰৰ ওচৰত নিৰ্ভৰশীল হৈ পৰিছে। এই প্ৰক্ৰিয়াকে বিশ্বায়ন বোলা হয়।

জন বেইলচ আৰু ষ্টিভ স্মিথৰ মতে, বিশ্বায়ন হ'ল- এনে এটা প্ৰক্ৰিয়া, য'ত বিভিন্ন সমাজৰ মাজত

ক্ৰমান্বয়ে পাৰস্পৰিক নিৰ্ভৰশীলতা পৰিলক্ষিত হয়, যাৰ ফলত বিশ্বৰ কোনো এক প্ৰান্তৰ ঘটনাই বহু দূৰত অৱস্থিত অন্য দেশৰ জনসাধাৰণ নাইবা সমাজৰ ওপৰতো প্ৰভাৱ পেলায়। বিশ্বায়নৰ ফলত পৃথিৱীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সামাজিক ঘটনাসমূহৰ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল হৈ উঠে আৰু সেইবোৰৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী হয়। বিশ্বায়ন প্ৰক্ৰিয়া প্ৰথমে আৰম্ভ হৈছিল অৰ্থনৈতিক ক্ষেত্ৰত। অৰ্থনৈতিক বিশ্বায়ন বুলিলে সাধাৰণতে সমগ্ৰ বিশ্বত অৰ্থনৈতিক কাৰ্যকলাপৰ সংহতি কৰণৰ প্ৰক্ৰিয়াটোকে বুজা যায়। অৰ্থনৈতিক বিশ্বায়নে বিশ্ব অৰ্থনীতি কেতবোৰ নতুন চৰিত্ৰৰ আগমন ঘটাইছে। উদাহৰণ স্বৰূপে আন্তৰ্জাতিক অৰ্থনৈতিক প্ৰতিষ্ঠান, যেনে IMF, WB আদিৰ জন্ম, বহুজাতিক প্ৰতিষ্ঠান আদিৰ জন্ম ইত্যাদি। পুঁজিবাদৰ প্ৰসাৰত এই অনুষ্ঠানসমূহৰ ভূমিকা অন্যতম। এই সমূহে সমগ্ৰ বিশ্বৰ অৰ্থনৈতিকৰ দিশটোকে সলনি কৰি পেলাইছে। বহুতো পণ্ডিতে আঙুলিয়াই দিছে যে বিশ্বায়নৰ ফলস্বৰূপে পূৰ্বৰ ওৱেষ্ট ফেলিয়ান আৰ্হিৰ ৰাষ্ট্ৰৰ ওপৰত পুঁজিবাদী ভাৱধাৰাৰ প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। বিশ্বায়নৰ ফলশ্ৰুতিত পুঁজিবাদে পোষকতা কৰা মুক্ত বজাৰ নীতিয়ে প্ৰসাৰ লাভ কৰি জাতি ৰাষ্ট্ৰৰ সীমা ভেদি ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌমত্বত প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। পুঁজিবাদী ভাৱধাৰাৰে পুষ্ট আন্তৰ্জাতিক অৰ্থনৈতিক প্ৰতিষ্ঠান সমূহৰো ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়সমূহৰ ক্ষেত্ৰত পেলোৱা প্ৰভাৱ মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে - ইউৰোপিয়ান ইউনিয়ন আৰু ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ কথাকে ক'ব পাৰে।

এক কথাত ক'বলৈ গ'লে বিশ্বায়নে জাতি ৰাষ্ট্ৰৰ ক্ষমতা আৰু কাৰ্যৱলীৰ ওপৰত এক সীমাবদ্ধতা আনি পূৰ্বৰ কল্যাণকামী ৰাষ্ট্ৰৰ ঠাইত সীমিত ৰাষ্ট্ৰলৈ পৰিৱৰ্তিত কৰিছে। পূৰ্বতে ৰাষ্ট্ৰই সম্পাদন কৰা অৰ্থনৈতিক আৰু সামাজিক প্ৰতিষ্ঠানসমূহলৈ হস্তান্তৰ হৈছে। বিখ্যাত অৰ্থনীতিবিদ জন স্কেইনচৰ কল্যাণকামী অৰ্থনীতিক তত্ত্বৰ আধাৰত প্ৰতিষ্ঠিত পূৰ্বৰ কল্যাণকামী ৰাষ্ট্ৰ আছিল এনে এক ব্যৱস্থা, য'ত ৰাষ্ট্ৰই জনসাধাৰণৰ লগত জড়িত বিভিন্ন জনকল্যাণমূলক বিষয় যেনে- জনস্বাস্থ্য, শিক্ষা আদিৰ ক্ষেত্ৰত নিজাকৈ ব্যৱস্থা গ্ৰহণ কৰি অৰ্থনৈতিক আৰু সামাজিক জনগণৰ সৰ্বাঙ্গীন উন্নতিত গুৰুত্ব দিছিল। কিন্তু, বিশ্বায়নৰ প্ৰবাহত কল্যাণকামী ৰাষ্ট্ৰই জনপ্ৰিয়তা হেৰুৱাই তাৰ স্থান দখল কৰে সীমিত ৰাষ্ট্ৰই। সীমিত ৰাষ্ট্ৰ হৈছে বিশ্বায়নে নিৰ্মাণ কৰা এক ৰাষ্ট্ৰ ব্যৱস্থা য'ত ৰাষ্ট্ৰৰ কাম-কাজ কেৱল নাগৰিকক সুৰক্ষা প্ৰদান কৰা আৰু আইন-শৃখংলা ৰক্ষা কৰা। এনে ৰাষ্ট্ৰ ব্যৱস্থাই ৰাষ্ট্ৰক জনকল্যাণমূলক কাম-কাজসমূহৰ পৰা আঁতৰাই তাৰ ঠাইত বজাৰ অৰ্থনীতিক অগ্ৰাধিকাৰ দিয়ে। বজাৰ অৰ্থনীতিৰ মুখ্য বাহক হিচাপে বহুজাতিক প্ৰতিষ্ঠানসমূহৰ আগ্ৰাসন বৰ্তমানে সকলোৱে প্ৰত্যক্ষ কৰিবলৈ পাইছে। আন্তৰ্জাতিক মুদ্ৰানিধি, বিশ্ববেংক, বিশ্ববাণিজ্য সংস্থা আদি আন্তৰ্জাতিক প্ৰতিষ্ঠানসমূহে যিবোৰ বজাৰনীতি কাৰ্যকৰী কৰে, তাৰ ফলস্বৰূপে ৰাষ্ট্ৰ আৰু চৰকাৰ নিৰুপায় হৈ পৰে আৰু পুঁজিবাদী অৰ্থনীতিৰ মেৰপেঁচত সোমাই পৰে। ফলত অৰ্থনৈতিক উন্নয়নৰ বাবে পুঁজিবাদৰেই শৰণাপন্ন হৈ পৰে। মুক্ত বজাৰ ব্যৱস্থাৰ ফলত অবাধে ৰাষ্ট্ৰৰ সীমা অতিক্ৰম কৰি পাৰ হৈ অহা বহুজাতিক প্ৰতিষ্ঠান তথা বিদেশী পুঁজিৰ আগ্ৰাসনে ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌমত্বত আঘাত হানিছে। ইয়াৰ উপৰিও ১৯৯১ত ছোভিয়েট সংঘৰ ভাঙোনে আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰসমূহৰ অৱক্ষয় বিশ্বত পুঁজিবাদৰ আগ্ৰাসন চলিছিল আৰু সুবিধা বুজি তৃতীয়

বিশ্বৰ ৰাষ্ট্ৰসমূহতো পুঁজিবাদে নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়ে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বত ভাবুকিৰ সৃষ্টি কৰিছে, লগতে চৰকাৰী ৰাজনৈতিক প্ৰতিষ্ঠানসমূহকো ক্ষতি কৰিছে। দেখা যায় বিশ্বায়ন ব্যৱস্থাই নিঃসন্দেহে সমগ্ৰ বিশ্বত পুঁজিবাদৰ প্ৰসাৰ কৰাত সহায় কৰিছে। প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই বিশ্বায়নে সমগ্ৰ অৰ্থনৈতিক, ৰাজনৈতিক আদি দিশসমূহক আন্তঃৰাষ্ট্ৰীয়কৰণ কৰি একচেটিয়া ব্যৱস্থা এটাৰ নিৰ্মাণ কৰিছে, যাৰ নিয়ন্ত্ৰণৰ চাবিপাত পুঁজিবাদৰ হাতত আছে।

ওপৰোক্ত আলোচনাৰ পৰা আমি বিশ্বায়নে ৰাষ্ট্ৰ ব্যৱস্থালৈ কঢ়িয়াই অনা পৰিৱৰ্তনসমূহ তলত দিয়া ধৰণে জুকিয়াই ল'ব পাৰোঁ —

১। বিশ্বায়নৰ ফলত ওৱেষ্টফেলিয়ান আৰ্হিৰ ৰাষ্ট্ৰৰ পতন ঘটি সীমিত ৰাষ্ট্ৰই গা কৰি উঠে, য'ত ৰাষ্ট্ৰৰ কাম-কাজ নাগৰিকক সুৰক্ষা দিয়া আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা প্ৰদানতে সীমাবদ্ধ হৈ পৰে।

২। মানুহৰ বিভিন্ন প্ৰয়োজনসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰতকৈ বজাৰে অগ্ৰাধিকাৰ পাইছে।

৩। ৰাষ্ট্ৰৰ অৰ্থনৈতিক ক্ষেত্ৰখনত আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে আধিপত্য বিস্তাৰ কৰিছে। ফলত প্ৰায়বোৰ ৰাষ্ট্ৰৰে উৎপাদন আৰু বিতৰণ ব্যৱস্থা এনে সংস্থাসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত।

৪। বিশ্বায়নে জাতি-ৰাষ্ট্ৰৰ ক্ষমতা, কাৰ্যৱলী আৰু সাৰ্বভৌমত্বত সীমাবদ্ধতা আনি দিছে। ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়সমূহত বিদেশী ৰাষ্ট্ৰ তথা অনাৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহৰ হস্তক্ষেপে ৰাষ্ট্ৰৰ ক্ষমতা বহু পৰিমাণে সংকুচিত কৰিছে।

৫। বিশ্বায়নৰ ফলশ্ৰুতিত ৰাষ্ট্ৰবোৰৰ মাজত বাণিজ্যিক লেনদেন আৰু আদান-প্ৰদান ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। এনে অৱস্থাত দেশসমূহে ব্যৱসায় বাণিজ্যৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ কমাই আনিবলৈ বাধ্য হৈছে। বৰং দেশৰ চৰকাৰ ব্যক্তিগত আৰু বহুজাতিক পুঁজিৰ সেৱাত অধিকভাৱে ব্যস্ত হৈ পৰিছে।

**সামৰণি ঃ**

বিশ্বায়নে কঢ়িয়াই অনা উক্ত পৰিৱৰ্তনসমূহে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে পুঁজিবাদী শ্ৰেণীৰ স্বাৰ্থৰে ইংগিত বহন কৰিছে। বিশ্বায়নৰ ফলত বহুজাতিক প্ৰতিষ্ঠান, আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আদিসমূহ শক্তিশালী হৈছে আৰু অনুন্নত তথা উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বজাৰ দখল কৰিছে। আন্তঃৰাষ্ট্ৰীয় সংগঠন যেনে - বিশ্ববেংক (WB) আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (IMF) আদিয়ে অৰ্থনীতিত ৰাষ্ট্ৰৰ কবলৰ পৰা মুক্ত কৰি স্বয়ংচালিত প্ৰতিযোগিতাৰ বজাৰত এৰি দিলেই অৰ্থনীতিয়ে আপোনা-আপোনি বিকাশৰ পথেৰে আগবাঢ়ে বুলি প্ৰচাৰ চলোৱাটোৱে পুঁজিবাদক শক্তিশালী কৰি তুলিছে। বিশ্বায়নৰ ধাৰণসমূহ নায্যতা প্ৰদান কৰি নব্য উদাৰবাদী ৰাজনৈতিক ভাবাদৰ্শই পুঁজিবাদৰ বিকাশত যথেষ্ট সহায় কৰিছে।□□

**প্ৰসংগ পুথিঃ**


1. Baylish, John and Smith, Steve (2017): 'The Globalisation of World, Politics-An Introduc tion to International Relations, Oxford HED
2. Kaur, Harpreet and Kaur, Gurdeep (2017): 'Politics of Globalisation; Galgotia Publishing Company, India

# ষষ্ঠ অনুসূচী আৰু ভাৰত যুক্তৰাষ্ট্ৰ

কুদ্দুছ আলী
ষষ্ঠ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

## 1. আৰম্ভণিঃ

ভাৰতৰ সংবিধানত উত্তৰ-পূৰ্বাঞ্চলৰ এলেকাত প্ৰযোজ্য হোৱাকৈ 'ষষ্ঠ অনুসূচী' অঞ্চলবোৰৰ বাবে প্ৰৱৰ্তন কৰা হয়। বৃটিছসকলৰ আগমনৰ পিছৰে পৰা ভাৰতলৈ প্ৰব্ৰজন ঘটা বিভিন্ন আগ্ৰাসী জাতি-জনগোষ্ঠীসমূহৰ সন্মুখত উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসকলৰ সামাজিক অস্তিত্ব সম্পূৰ্ণৰূপে ধূলিসাৎ হৈ যোৱাৰ এক আশংকা অনুভূত হৈছিল। বৃটিছসকলৰ শাসনকালৰ সময়ছোৱাত অনগ্ৰসৰ অঞ্চলৰূপে পৰিগণিত হোৱা এই উত্তৰ-পূবৰ পাহাৰীয়া জনজাতীয় লোকসকলৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ বাবে আমাৰ ভাৰতীয় সংবিধানত ষষ্ঠ (6th Schedule)ত বিশেষ কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আনহাতে ভাৰতবৰ্ষক এখন যুক্তৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ ভাৰতত প্ৰথমবাৰৰ বাবে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা স্থাপন কৰা হৈছিল ১৯৩৫ চনৰ 'ভাৰত শাসন আইন'ৰ জৰিয়তে। স্বাধীনতাৰ পিছত এই আইনৰ পৰা ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় গাঁথনি বহু পৰিমাণে লোৱা হয়, যদিও পৰিৱৰ্তিত সময় আৰু পৰিস্থিতিৰ লগত খাপ খোৱাকৈ এই গাঁথনিত কিছু সংশোধন কৰা হয়।

## 2. ষষ্ঠ অনুসূচী আৰু যুক্তৰাষ্ট্ৰবাদঃ

**2.1 ষষ্ঠ অনুসূচীঃ** সংবিধানৰ পঞ্চম অনুসূবচীৰ এলেকাভুক্ত নোহোৱা জনজাতীয় এলেকাসমূহ সংবিধানৰ ২৪৪ (২) নং অন্তৰ্ভুক্ত হোৱা ষষ্ঠ অনুসূচীয়ে সামৰি লৈছে। ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত হোৱা উত্তৰ-পূবৰ বিশেষ ৰাজ্য চাৰিখন হ'ল- অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম। এই ষষ্ঠ অনুসূচীত স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰাৰ ব্যৱস্থা কৰিছে। এই ষষ্ঠ অনুসূচীৰ অধীনৰ স্বায়ত্ব শাসিত পৰিষদত কিছুমান বিষয়ৰ ওপৰত আইন প্ৰণয়নৰ বাবে ৰাজ্যপালক কিছুমান ক্ষমতা দিয়া হৈছে। ইয়াৰ উপৰি সেই এলেকাসমূহৰ সু-প্ৰশাসন বজায় ৰখাৰ কাৰণে স্বায়ত্ব শাসিত পৰিষদসমূহক ন্যায়িক ক্ষমতাও প্ৰদান কৰা হৈছে। ষষ্ঠঅনুসূচীৰ অধীনতো সংবিধানৰ ২৫৭ (১) নং অনুচ্ছেদ অনুসৰি স্বায়ত্ব শাসিত এলেকাসমূহৰ কল্যাণ সাধনৰ কাৰণে আৰ্থিক অনুদান আগবঢ়োৱা হয়। এই স্বায়ত্ব শাসিত জিলাসমূহ গঠনৰ মূল উদ্দেশ্য হৈছে জনজাতীয় লোকসকলৰ পৰম্পৰাগত ঐতিহ্য বজায় ৰখা আৰু ইয়াৰ কাৰণে তেওঁলোকক বিধায়িনী, কাৰ্যপালিকা আৰু ন্যায়িক ক্ষমতা প্ৰদান কৰা হৈছে। কিন্তু এই ক্ষমতা ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত এলেকাসমূহৰ ক্ষেত্ৰতহে

প্ৰযোজ্য। ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত এলেকাসমূহৰ প্ৰশাসনৰ দায়িত্ব ৰাজ্যপালক দিয়া হৈছে। ৰাজ্যপালে আনকি নতুন স্বায়ত্ব শাসিত জিলাও গঠন কৰিব পাৰে। এই স্বায়ত্ব শাসিত অঞ্চলসমূহক সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত কিছুমান বিষয় যেনে- ৰাস্তা-ঘাট, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা, মীণ, বানপানী নিয়ন্ত্ৰণ, স্বাস্থ্য, কৃষি আদি বিভিন্ন বিষয়ত আইন প্ৰণয়নৰ সুবিধা দিয়া হৈছে। অৱশ্যে এই পৰিষদে ৰচনা কৰা সকলো আইনতে ৰাজ্যপালৰ সন্মতিৰ প্ৰয়োজন আছে।

গতিকে দেখা গ'ল যে উত্তৰ-পূৰ্বৰ জনজাতীয় লোকসকলৰ বিশেষকৈ অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ বিশেষ সাংস্কৃতিক বৈশিষ্ট্য বজায় ৰখাৰ লগতে তেওঁলোকৰ সামগ্ৰীক উন্নয়নৰ কাৰণে সংবিধানৰ ষষ্ঠ অনুসূচী (6th Schedule) ৰ জৰিয়তে বিশেষ সুবিধা প্ৰদান কৰা হৈছে।

**2.2 যুক্তৰাষ্ট্ৰবাদঃ** ভাৰতৰ সংবিধানৰ ১ নং অনুচ্ছেদত ভাৰতক এখন ৰাজ্যসমূহৰ সংঘ (Union of States) বুলি উল্লেখ কৰিছে, যদিও ভাৰতৰ সংবিধানত যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক দুই ধৰণৰ বৈশিষ্ট্য আছে। তথাপি আমি ভাৰতক সম্পূৰ্ণৰূপে এককেন্দ্ৰিক বা যুক্তৰাষ্ট্ৰীয় চৰকাৰ হিচাপে অভিহিত কৰিব নোৱাৰি। যুক্তৰাষ্ট্ৰবোৰত থকা কিছুমান বৈশিষ্ট্য ভাৰতবৰ্ষত থকা দেখা যায় যেনে - দুই ধৰণৰ চৰকাৰ, অনমনীয় আৰু লিখিত সংবিধান, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ক্ষমতাৰ বিভাজন আদিবোৰ বৈশিষ্ট্য ভাৰতত থকা বাবে কিছুমানে ভাৰতবৰ্ষক এখন যুক্তৰাষ্ট্ৰ বুলি মানি লোৱা নাই। এই ক্ষেত্ৰত K.C. Wheare য়ে মত পোষণ কৰে যে, ভাৰতবৰ্ষ একন অৰ্ধ যুক্তৰাষ্ট্ৰ (Quasi federal) কাৰণ, তেওঁৰ মতে ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত যুক্তৰাষ্ট্ৰীয় আৰু এককেন্দ্ৰিক উপাদান একেলগে সন্নিৱিষ্ট হৈ আছে।

গতিকে ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ হয় নে নহয় কোৱাটো জটিল।

**2.3 যুক্তৰাষ্ট্ৰবাদ আৰু ষষ্ঠ অনুসূচীৰ সম্পৰ্কঃ** ভাৰতীয় যুক্তৰাষ্ট্ৰবাদ আৰু ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ মাজত এক বিশেষ ধৰণৰ সম্পৰ্ক থকা দেখা যায়। ষষ্ঠ অনুসূচীত উল্লেখ কৰা জনজাতীয় এলেকাৰ লোকসকলে সাধাৰণতে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হোৱা দেখা যায় যেনে - ৰাস্তা-ঘাট, শিক্ষা, মীন পালন, বানপানী নিয়ন্ত্ৰণ, স্বাস্থ্য আৰু কৃষি আদিৰ ক্ষেত্ৰত; তেওঁলোকে যাতে আন আন শ্ৰেণীৰ লোকৰ দৰে সমানে আগবাঢ়ি যাব পাৰে আৰু জনজাতীয় এলেকাৰ লোকসকলৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ বাবে ষষ্ঠ অনুসূচীত বিশেষ ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ ২৭৫ (১) অনুচ্ছেদ মতে স্বায়ত্ব শাসিত এলেকাসমূহৰ কল্যাণ তথা সমস্যাসমূহৰ সমাধানৰ বাবে এক বিশেষ ধৰণৰ আৰ্থিক অনুদান আগবঢ়োৱা হয়।

**ভাল দিশবোৰ ঃ**

ক) ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত এলেকাসমূহৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

খ) ২৭৫ (১) নং অনুচ্ছেদ মতে স্বায়ত্ব শাসিত এলেকাসমূহৰ কল্যাণ সাধনৰ বাবে আৰ্থিক অনুদান কেন্দ্ৰীয় চৰকাৰে আগবঢ়াইছে।

বেয়া দিশবোৰ ঃ

ক) ষষ্ঠ অনুসূচীৰ জৰিয়তে স্বায়ত্ব শাসিত এলেকাসমূহক এক বিশেষ সুবিধা প্ৰদান কৰা হৈছে, যিবোৰ আন এলেকাসমূহৰ বাবে প্ৰযোজ্য নহয়।

খ) তেওঁলোকে ২৭৫ (১) নং অনুচ্ছেদ অনুসৰি বিশেষ আৰ্থিক অনুদান দিয়া হয়, কিন্তু আন-আন এলেকাসমূহৰ বাবে এনেকুৱা আৰ্থিক অনুদান আগবঢ়োৱা নহয়।

**2.4 সামৰণিঃ** ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অসম, ত্ৰিপুৰা, মেঘালয়, মিজোৰাম এই ৰাজ্য চাৰিখনৰ অন্তৰ্গত জনজাতীয় এলেকাসমূহৰ কল্যাণৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। Tribal এলেকাৰ লোকসকলে সন্মুখীন হোৱা সমস্যাসমূহ যেনে-ৰাস্তা-ঘাট, শিক্ষা, কৃষি ইত্যাদি সমস্যা সমাধানৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰিও ২৭৫ (১) নং অনুচ্ছেদ মতে তেওঁলোকৰ বাবে বিশেষ ধৰণৰ আৰ্থিক অনুদান আগবঢ়োৱা হয়। যাতে আন-আন এলেকাৰ লোকসকলৰ দৰে স্বায়ত্ব শাসিত এলেকাৰ লোকসকলে সমানে আগবাঢ়ি যাব পাৰে। এই ব্যৱস্থা সকলো জনগোষ্ঠীয় এলেকাত প্ৰযোজ্য হোৱাটো উচিত বুলি বহু চিন্তাবিদে ক'ব খোজে। □□

প্ৰসংগ পুথিঃ

১। দাস, দ্বিপেন (২০১৯)ঃ 'সাংবিধানিক চৰকাৰ আৰু ভাৰতৰ গণতন্ত্ৰ', ৰূপালীম প্ৰকাশন।

# বীৰ লাচিত বৰফুকন

মুন আলী
দ্বিতীয় যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ**

অসমৰ ইতিহাসত যিসকল বীৰ যোদ্ধাৰ নাম জিলিক আছে, সেই সকলৰ ভিতৰত লাচিত বৰফুকন অন্যতম। ইংৰাজী ২৪ নৱেম্বৰ তাৰিখটো লাচিত বৰফুকনৰ স্মৃতিত আৰু শৰাইঘাট যুদ্ধত অসমীয়া সেনাৰ জয়লাভত সমগ্ৰ অসমত 'লাচিত দিৱস' হিচাপে পালন কৰা হয়।

**জন্ম ঃ**

লাচিত বৰফুকনৰ জন্ম সম্পৰ্কে সঠিকভাৱে কোৱা নাযায় যদিও ১৬২২ চনৰ ২৪ নৱেম্বৰত আহোমৰ ৰাজধানী গড়গাঁওৰ ওচৰে-পাজৰে তেওঁ জন্ম হৈছিল বুলি কোৱা হয়। তেখেতৰ পিতৃৰ নাম মোমাই তামুলী বৰুৱা আৰু মাতৃৰ নাম আছিল নাগেশ্বৰী। তেওঁৰ পিতৃ ম-ছাই চুং কালুক যি আহোমৰ 'লান-ফিমা' বংশৰ আছিল। তেখেত ম-ছাইৰ সপ্তম পুত্ৰ। তেখেতৰ ভাতৃৰ নাম মবাও-লাও আৰু লাপেট লাও আৰু ভগ্নীৰ নাম লাইছেং আছিল। জন্মসূত্ৰে তেখেতৰ নাম আছিল 'লাচিত'।

**শিক্ষা ঃ**

ৰাজ পৰিয়ালত জন্মগ্ৰহণ কৰা লাচিত বৰফুকনে সামৰিক আৰু অসামৰিক দুয়োটা শিক্ষা শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল। ৰাজ পৰিয়ালত জন্মগ্ৰহণ কৰা বাবে লাচিত বৰফুকনে দায়িত্ব, আনুগত্য আৰু সততাৰ গুণসমূহ জন্মসূত্ৰে লাভ কৰিছিল। আহোমৰ অন্যতম বিখ্যাত ফৈদ হৈছে 'লান-ফিমা' বংশ। তেখেত আছিল সেই ফৈদৰ।

**কৰ্মজীৱন ঃ**

স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালতে লাচিত বৰফুকনে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁ লাভ কৰা মৰ্যদাসমূহ একাদিক্ৰমে হ'ল -

ক) ৰাজতন্ত্ৰৰ হাচতিধৰা তামুলীঃ এই পদবীত তেখেতে মন্ত্ৰীৰ তামোল-পাণ, ৰাজ কিতাপ-পত্ৰ লৈ যাব পাৰিছিল।

খ) ঘোঁৰা বৰুৱা পদ ঃ এই পদত তেওঁ দুৰ্দান্ত ঘোঁৰাক বশ কৰিব পাৰিছিল।

গ) দুলীয়া বৰুৱা পদ ঃ

ঘ) দোলাকাষৰীয়া পদ ঃ

ঙ) বৰফুকন পদ ঃ এই পদ স্বৰ্গদেউ চক্ৰধ্বজ সিংহই তেওঁক সোণোৱালী হেংদাঙৰ সৈতে প্ৰদান কৰিছিল।

**শৰাইঘাটৰ যুদ্ধ ঃ**

শৰাইঘাটৰ যুদ্ধৰ শেষৰ ফালে বৃহৎ মোগল সৈন্যৰ ওচৰত আহোম সৈন্যই পিছুৱাবলৈ ধৰিলে। সেই সময়ত লাচিতৰ প্ৰচণ্ড জ্বৰ হৈছিল। ৰোগীয়া মানুহজনে মোগলৰ বিৰুদ্ধে যুঁজিবলৈ নাওখনত সৈন্যসকলক সম্বোধন কৰি ক'লে- "অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম। লাগিলে বঙালে মোক ধৰি লৈ যাওঁক, তোমালোক সুখেৰে ঘৰলৈ যোৱা।" এই কথাবোৰে সৈন্যসকলক নতুনকৈ উৎসাহিত কৰিছিল আৰু সৈন্যসকল দুগুণ সাহসেৰে যুদ্ধ কৰি মোগলক পৰাস্ত কৰে আৰু শৰাইঘাটৰ যুদ্ধত তেওঁলোক জয়লাভ কৰে।

**সন্মান ঃ**

বীৰ লাচিত বৰফুকনৰ স্মৃতিত ভাৰত চৰকাৰে ১৯৯৯ চনৰ পৰা প্ৰতি বছৰে ভাৰতৰ ৰাষ্ট্ৰীয় সামৰিক অকাডেমিত শ্ৰেষ্ঠ কেডেটজনক লাচিত সোণালী পদক প্ৰদান কৰা হয়। তদুপৰি তেওঁৰ আদৰ্শক জীয়াই ৰাখিবলৈ ২৪ নৱেম্বৰ দিনটো সমগ্ৰ অসমত 'লাচিত দিৱস' হিচাপে পালন কৰা হয়।

**সামৰণি ঃ**

বীৰত্ব আৰু সাহসেৰে শৰাইঘাট যুদ্ধত জয়লাভ কৰা লাচিত বৰফুকনৰ মৃত্যু হয় শৰাইঘাট যুদ্ধৰ কিছুদিন পিছতেই। ১৬৭২ চনত মৃত্যুক সাৱটি লোৱা লাচিত বৰফুকনৰ যোৰহাটৰ হোলোঙাপাৰাত মৈদাম দিয়া হয়।

লাচিত বৰফুকনৰ সাহস, সতত আৰু পৰাক্ৰমৰ কথা কোনো অসমীয়াই পাহৰিব নোৱাৰে। অসমীয়া জাতি জীয়াই থকা লৈকে তেওঁৰ দেশপ্ৰেম অসমীয়াৰ তেজত সদায় প্ৰবাহিত হৈ যাব। ◻◻

# চীনৰ ৰাজনৈতিক অৰ্থনীতিঃ এক অধ্যয়ন

হিয়ামণি পাঠক
ষষ্ঠ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণিঃ**

বিশ্বত আমেৰিকা যুক্তৰাষ্ট্ৰই যি আধিপত্য বিস্তাৰ কৰিছে তাৰ বিকল্প হিচাপে আমি আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ চীনক তৃতীয় বিকল্প শক্তিৰ কেন্দ্ৰস্থল হিচাপে প্ৰক্ষেপ কৰিব পাৰোঁ। চীনে ১৯৭৮ ৰ পৰা অৰ্থনৈতিক দিশত যি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে, ইয়ে চীনক বৃহৎ শক্তি হিচাপে অৱতাৰণা কৰিছে। চীনৰ অৰ্থনৈতিক প্ৰগতিৰ প্ৰতি লক্ষ্য কৰিলে ই ২০৪০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰকো চেৰ পেলাবলৈ সক্ষম হ'ব বুলি ধাৰণা কৰিব পাৰি। চীন বৃহৎ শক্তিৰ ৰূপত অৱতাৰণা হোৱাৰ ক্ষেত্ৰত ইয়াৰ অৰ্থনৈতিক প্ৰগতিৰ লগত সংযোজন হৈছে ইয়াৰ জনসংখ্যা, প্ৰাকৃতিক সম্পদক, ভৌগোলিক পৰিৱেশ আৰু ৰাজনৈতিক প্ৰভাৱ।

চীনৰ সাম্যবাদী বিপ্লৱৰ নেতা মাও চে তুঙৰ নেতৃত্বত সুদীৰ্ঘ আন্দোলনৰ পিছত ১৯৪৯ চনত চীনত গণ প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ জৰিয়তে সাম্যবাদী শাসন প্ৰৱৰ্তন কৰিবলৈ সক্ষম হয়। মাওৰ নেতৃত্বত হোৱা চীন গণ প্ৰজাতন্ত্ৰই ছোভিয়েট ইউনিয়ন অৰ্থনৈতিক ব্যৱস্থাক অনুসৰণ কৰিছিল, কিন্তু চীনৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবে ই পুঁজিবাদী ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক গঢ়াৰ পোষকতা কৰিছিল, অৱশ্যে এইটো আছিল চীন গণ প্ৰজাতন্ত্ৰৰ কিঞ্চিত পছন্দহে। চীন গণ প্ৰজাতন্ত্ৰই বেছিকৈ গুৰুত্ব প্ৰদান কৰিছিল ইয়াৰ সম্পদৰাজিক উদ্‌ঘাটন কৰি আৰ্থিক অৱস্থা টনকিয়াল কৰাত। চীন গণ প্ৰজাতন্ত্ৰই ৰাষ্ট্ৰৰ মালিকীস্বত্বক গধুৰ উদ্যোগ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিছিল। সেই সময়ত চীন গণ প্ৰজাতন্ত্ৰৰ যিহেতুকে বৈদেশিক মুদ্ৰাৰ নাটনি আছিল সেয়ে নিজৰ ঘৰুৱা উৎপাদিত বস্তুৰ বিনিময়ত বিদেশৰ পৰা প্ৰযুক্তিবিদ্যা আৰু প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰিছিল। এই আৰ্হিৰ আধাৰতে দেশীয় সম্পদ ব্যৱহাৰ কৰি চীনে উদ্যোগিক অৰ্থনীতিৰ আধাৰ নিৰ্মাণ কৰি তুলিছিল। অৰ্থনীতি নিৰ্মাণৰ সমান্তৰালভাৱে চীনে কেতবোৰ কথা যেনে কৰ্মসংস্থাপন, সামূহিক কল্যাণ, শিক্ষা আৰু স্বাস্থ্য আদিৰ ওপৰত অত্যন্ত গুৰুত্ব দিছিল। এই নীতিৰ আধাৰতেই চীন দেশ তৃতীয় বিশ্বৰ অন্য বহুবোৰ দেশতকৈ যথেষ্ট আগবাঢ়ি গৈছে।

**গণ প্ৰজাতান্ত্ৰিক চীনৰ ৰাজনৈতিক অৰ্থনীতি ঃ**

১৯৮০ ৰ দশকৰ পৰা বিশ্ব অৰ্থনীতিত চীনৰ উত্থান মন কৰিবলগীয়া। দেশ এখনৰ অৰ্থনীতিৰ উত্থান নিৰ্ভৰ কৰে দেশখনে গ্ৰহণ কৰা বিকাশৰ কৌশলৰ ওপৰত। ১৯৭৮ চনত চীনে গ্ৰহণ কৰা বিকাশৰ

কৌশলী নীতিয়ে দেশখনৰ দৰিদ্ৰতাৰ সমস্যা বহুখিনি মষিমূৰ কৰিবলৈ সক্ষম হয় আৰু বিশ্বৰ ভিতৰতে চমকলগা ধৰণে অৰ্থনীতিৰ উত্থান ঘটায়। চীনৰ অৰ্থনৈতিক উত্থানে দেশখনক তৃতীয় বিকল্প শক্তিৰ কেন্দ্ৰস্থল হিচাপে প্ৰক্ষেপিত কৰিছে। চীনক বৰ্তমানে বৃহৎ অৰ্থনৈতিক শক্তি হিচাপে বিবেচনা কৰা হয়। চীনৰ এই প্ৰগতিৰ মূলতে হৈছে দেশখনৰ ৰাজনৈতিক অৰ্থনীতি। চীনৰ অৰ্থনৈতিক সফলতাৰ আঁৰত থকা ৰাজনৈতিক অৰ্থনীতিক মূলতঃ তিনিটা দিশেৰে সাঙুৰিব পাৰি।

প্ৰথমে, এখন স্বতন্ত্ৰ চৰকাৰ, যিয়ে কোনো বিশেষ সামাজিক শ্ৰেণীক প্ৰতিনিধিত্ব নকৰে বা কোনো সামাজিক গোষ্ঠীৰ দ্বাৰাও নিয়ন্ত্ৰিত নহৈ স্বতন্ত্ৰ ধৰণে দীৰ্ঘম্যাদী বিকাশৰ বাবে সামগ্ৰিক অৰ্থনৈতিক নীতি গ্ৰহণ কৰিব পাৰে। দ্বিতীয়তে, অৰ্থনৈতিক বিকেন্দ্ৰীকৰণে স্থানীয় চৰকাৰসমূহক স্থানীয় অৰ্থনীতি শক্তিশালী কৰাত অৰিহণা যোগাইছে আৰু তৃতীয়তে, মেধাভিত্তিক পদোন্নতি ব্যৱস্থাই স্থানীয় বিষয়াসকলক যিকোনো বিকেন্দ্ৰীকৰণ বিৰোধী শক্তিক বিৰোধিতা কৰিব পাৰে। ইয়াৰ উপৰিও দেশখনৰ জনসংখ্যা, প্ৰাকৃতিক সম্পদ, ভৌগোলিক পৰিৱেশ আদিয়ে অৰ্থনৈতিক ক্ষেত্ৰৰ লগত সংযোজিত হৈ চীনক বৃহৎ শক্তি ৰূপত অৱতীৰ্ণ হোৱাত সহায় কৰিছে। ইয়াৰ উপৰিও চীনৰ সাম্যবাদী বিপ্লৱৰ নেতা মাও-চে-তুঙৰ নেতৃত্বত সুদীৰ্ঘ বিপ্লৱৰ অন্তত ১৯৪৯ চনত চীনত সাম্যবাদী দলে গণ প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ জৰিয়তে সাম্যবাদী চৰকাৰে পুঁজিবাদৰ বিৰোধ কৰি ছোভিয়েট অৰ্থ ব্যৱস্থাক অনুসৰণ কৰিছিল। কিন্তু, চীনে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল নিজৰ জাতীয় সম্পদৰাজিক উদ্‌ঘাটন কৰি স্ব-নিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলাত। সেয়ে চীন চৰকাৰে ৰাষ্ট্ৰৰ মালিকানাস্বত্বক গধুৰ উদ্যোগ প্ৰতিষ্ঠাত গুৰুত্ব দিছিল। এনেদৰে চীন চৰকাৰে গ্ৰহণ কৰা উদ্যোগিক নীতি আৰু সম্পদৰাজি উদ্‌ঘাটনৰ প্ৰচেষ্টাই চীনক উদ্যোগিক অৰ্থনীতি প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। চীনৰ মানৱ সম্পদক দক্ষ কৰি তোলাত গুৰুত্ব দিয়া হৈছিল যাতে প্ৰতিজন নাগৰিকে কৰ্ম সংস্থাপন লাভ কৰিব পাৰে। কিন্তু, সেই সময়ত চীনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ অত্যধিক হোৱা হেতুকে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ নাটনিৰ লগতে বছৰেকীয়া আয়ৰ পৰিমাণো আশানুৰূপ নাছিল। ইয়াৰ উপৰি উদ্যোগসমূহত কেঁচামালৰ নাটনিয়ে উৎপাদন প্ৰক্ৰিয়াক লেহেমীয়া কৰিছিল। ফলস্বৰূপে, চীন চৰকাৰে অৰ্থনৈতিক বিকাশৰ গতিক ক্ষিপ্ৰ কৰিবলৈ কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হৈছিল।

চীন গণপ্ৰজাতন্ত্ৰই গ্ৰহণ কৰা উদ্যোগিক নীতি আৰু সম্পদৰাজি উদ্‌ঘাটনৰ প্ৰচেষ্টাই চীনক উদ্যোগিক অৰ্থনীতি প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। চীনে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা নিজকে সম্পূৰ্ণৰূপে আঁতৰত ৰখাৰ যি নীতি গ্ৰহণ কৰিছিল তাক ১৯৭২ চনত সলনি কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক উন্নত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰৰ মুৰব্বী চৌ এন লাই ১৯৭৩ চনত "চাৰিটা আধুনিকীকৰণ" প্ৰস্তাৱ আগবঢ়াইছিল। সেই কেইটা হ'ল – কৃষি, উদ্যোগ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। ১৯৭৮ চনত ডেং জিয়াওপিংয়ে চীনত "মুক্তদ্বাৰ" (Open Door) বা "খোলা দুৱাৰ" নীতি আৰু অৰ্থনৈতিক সংস্কাৰৰ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰ ফলত বহুত বিদেশী ৰাষ্ট্ৰই চীনত বিনিয়োগ কৰিছিল আৰু ইয়াৰ বাবে চীনৰ উৎপাদন যথেষ্ট বৃদ্ধি পাইছিল। এনেদৰে লাহে লাহে চীনে নিজৰ অৰ্থনীতি চহকী কৰিবলৈ আধুনিকীকৰণৰ জৰিয়তে নিজস্ব 'বজাৰ অৰ্থনীতি' প্ৰৱৰ্তন কৰিছিল। আধুনিকীকৰণ আৰু উদাৰীকৰণৰ

পাছত চীনত ব্যক্তিগতকৰণেও পোখা মেলিছিল। চীনে প্ৰথমে ১৯৮২ চনত ইয়াৰ কৃষিখণ্ডক ব্যক্তিগতকৰণ কৰিছিল আৰু পাছলৈ ১৯৯৮ চনত উদ্যোগখণ্ডকো ব্যক্তিগতকৰণ কৰা হৈছিল।

অৰ্থনৈতিক সংস্কাৰৰ আন এক কাৰ্যসূচী হিচাপে চীনে দেশখনৰ কিছুমান অঞ্চল, যেনে- ছাণ্টাউ, চেনজেন, চুহাই আদিক বিশেষ অৰ্থনৈতিক অঞ্চল হিচাপে ঘোষণা কৰিছিল। এই অঞ্চলসমূহক পাছলৈ বিদেশী বিনিয়োগকাৰীৰ বাবেও খুলি দিয়া হৈছিল। এনেদৰে চীনে গ্ৰহণ কৰা মুক্ত দুৱাৰ নীতি, আধুনিকীকৰণ, ব্যক্তিগতকৰণ আদি নতুন অৰ্থনৈতিক নীতিসমূহে চীনৰ অৰ্থনৈতিক পৰিৱেশ সলনি কৰি পূৰ্বৰ যি মন্দাৱস্থা তাৰ উপশম কৰাত সক্ষম হৈছিল। কৃষিখণ্ডক ব্যক্তিগতকৰণ কৰাৰ ফলত ফচলৰ উৎপাদনৰ হাৰ বৃহৎ মাত্ৰাত বৃদ্ধি হৈছিল যাৰ ফলস্বৰূপে কৃষকসকলৰ আৰ্থিক অৱস্থা টনকিয়াল হৈছিল। উদ্যোগৰ ব্যক্তিগতকৰণ আৰু বিদেশী ৰাষ্ট্ৰৰ মুক্ত বিনিয়োগৰ বাবে উৎপাদনৰ হাৰ যথেষ্ট বৃদ্ধি পাইছিল। নতুন নতুন উদ্যোগ প্ৰতিষ্ঠা হোৱা বাবে নিবনুৱাৰ সংখ্যাও যথেষ্ট হ্ৰাস পায়। মুক্ত বাণিজ্যকৰণ নীতিয়ে বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰখনৰো যথেষ্ট প্ৰসাৰ ঘটাইছিল। ইয়াৰ ফলস্বৰূপে, বিদেশী মুদ্ৰাৰ আহৰণো যথেষ্ট বৃদ্ধি পাইছে। ফলত বৰ্তমানে চীন বিশ্বৰ যিকোনো দেশত বুজন পৰিমাণে ধন বিনিয়োগ কৰিব পৰা হৈছে।

২০০১ চনত চীন বিশ্ব বাণিজ্য সংস্থাৰ সদস্যভুক্ত হয়। ইয়াৰ ফলস্বৰূপে সমগ্ৰ বিশ্বতে চীনৰ বাণিজ্যৰ সম্প্ৰসাৰণ হৈছে। এনেদৰে চীনে গোলকীয় অৰ্থনৈতিক ক্ষমতা আহৰণ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ সৈতে থকা সংঘাতপূৰ্ণ সম্পৰ্ক অৱসান ঘটিছে আৰু ইউৰোপৰ বজাৰসমূহতো চীনে বিনিয়োগ আৰম্ভ কৰিছে। ইয়ে সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। আভ্যন্তৰীণভাৱে গ্ৰহণ কৰা কিছুমান নীতিয়েও চীনৰ অৰ্থনৈতিক উত্থানত যথেষ্ট সহায় কৰিছে। এনে নীতিৰ ভিতৰত অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ অন্যতম। চীন গণপ্ৰজাতন্ত্ৰৰ গঠন হোৱাৰ পাছতেই প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনা কালত চীনৰ অৰ্থনীতিত কেন্দ্ৰীকৰণৰ প্ৰৱণতা দেখা গৈছিল। এই ব্যৱস্থাই স্থানীয় পদক্ষেপসমূহক নিৰাশ কৰিছিল। এই সমস্যা সম্পৰ্কে মাও-চে-তুং অৱগত আছিল আৰু তেওঁৰ বিখ্যাত "On the ten Major Relationship"ৰ শীৰ্ষক বক্তৃতাত এই বিষয়ে উল্লেখ কৰিছিল। ইয়াৰ পাছত 'Great Leap Forward' ৰ জৰিয়তে ১৯৫৮ চনত অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ সূচনা হয়। পাছলৈ ১৯৮০ ৰ দশকত বৃহৎ মাত্ৰাত অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ কৰা হয়। ইয়াৰ ফলস্বৰূপে স্থানীয় অঞ্চলসমূহতো বিকাশৰ গতি তীব্ৰ হয়। ইয়াৰ উপৰিও মেধাভিত্তিক পদোন্নতি ব্যৱস্থায়ো চীনৰ প্ৰশাসনত দক্ষ বিষয়াৰ সৃষ্টি কৰিছে আৰু দেশখনৰ সিদ্ধান্তসমূহক বাস্তৱ ৰূপত কাৰ্যকৰী হোৱাত সহায় কৰিছে। সম্প্ৰতি চীন BRICS ৰো সদস্য ৰাষ্ট্ৰ। ইয়ো দেশখনৰ অৰ্থনীতিত ধনাত্মক প্ৰভাৱ পেলাইছে। এনেদৰে ১৯৭৮ চনৰ পৰা চীনৰ অৰ্থনীতিৰ নাটকীয় উত্থান হৈছে যদিও শেহতীয়াভাৱে চীনত কেতবোৰ সমস্যাই গা কৰি উঠিছে আৰু এইবোৰে অৰ্থনীতিত প্ৰভাৱ পেলাইছে। নিবনুৱা সমস্যা, দুৰ্নীতি, অৰ্থনৈতিক বৈষম্য আদি সমস্যাসমূহৰ উদ্ভৱে চীনত শেহতীয়াভাৱে সুস্থিৰ বাতাবৰণ নাইকিয়া কৰিছে। জনসাধাৰণৰ বিশেষকৈ চহৰ আৰু গাঁৱলীয়া/গ্ৰাম্য অঞ্চলৰ জনতাৰ মাজত অৰ্থনৈতিক বৈষম্য যথেষ্ট বৃদ্ধি পাইছে। অতি শেহতীয়াভাৱে ক'ৰোণা মহামাৰীৰ উদ্ভৱ চীন দেশত হোৱাক কেন্দ্ৰ কৰিও সমগ্ৰ বিশ্বৰ চকুত চীনৰ সন্দিহান ভূমিকা আলোচিত হৈছে আৰু বিশ্বৰ বহু দেশে চীনক এলাগী কৰাৰ মতো

আগবঢ়াইছে। অৱশ্যে চীনৰ কৌশলী ৰাজনৈতিক অৰ্থনীতিয়ে দেশখনক এনে এক সবল স্থিতিত অৱতৰণ কৰাই থৈছে য'ৰ পৰা চীনৰ অৱনতি ইমান সহজ নহয়।

**সামৰণি ঃ**

বৰ্তমান সময়ত চীনৰ অৰ্থনীতিয়ে বিশ্ব অৰ্থনীতিত গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছে। চীনত উৎপাদিত পণ্যই পৃথিৱীৰ বজাৰত যথেষ্ট গুৰুত্ব লাভ কৰিছে। আজিকালি উত্তৰ-পূব ভাৰত, বিশেষকৈ উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ গুৱাহাটী মহানগৰীত চীনত উৎপাদিত ইলেক্ট্ৰনিক সামগ্ৰীৰ যথেষ্ট পয়োভৰ ঘটিছে। ভাৰতত উৎপাদিত সামগ্ৰীতকৈ চীনত উৎপাদিত সামগ্ৰীৰ দাম কম হোৱা হেতুকে আৰু প্ৰযুক্তিগতভাৱে এনে সামগ্ৰীৰ মান উন্নত হোৱাৰ বাবেও ই বজাৰত যথেষ্ট সমাদৰ লাভ কৰা দেখা যায়। চীনৰ অৰ্থনীতিৰ এনে উত্থানে বিশ্বত আধিপত্য লাভ কৰি থকা মাৰ্কিন অৰ্থনীতিকো প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছে। কেৱল যে অৰ্থনৈতিক ক্ষেত্ৰতেই চীনৰ উদ্‌গতি হৈছে তেনে নহয়। প্ৰযুক্তিৰ ক্ষেত্ৰত চীনে বিশেষভাৱে চমক দেখুৱাবলৈ সক্ষম হৈছে। ২০০৮ চনত চীনৰ ৰাজধানী বেইজিঙত অনুষ্ঠিত অলিম্পিক ক্ৰীড়া মহোৎসৱত প্ৰদৰ্শন কৰা কাৰিকৰী আৰু প্ৰযুক্তিগত পাৰদৰ্শিতাই বিশ্ববাসীক এক অৰ্থত চমক দেখুৱাবলৈ সক্ষম হৈছিল। এই সকলোবিলাক দিশ বিবেচনা কৰিলে চীনক মাৰ্কিন আধিপত্যৰ এক বিকল্প কেন্দ্ৰ বুলি অভিহিত কৰিব পাৰি।

চীনৰ অৰ্থনীতি যদিও নাটকীয়ভাৱে পৰিৱৰ্তন হৈ অতি দ্ৰুতগতিৰে আগবাঢ়িছে, কিন্তু ইয়াৰ সুফল চীনৰ সকলো জনতাই ভোগ কৰিবলৈ পোৱা নাই। চীনত নিবনুৱাৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ইয়াৰ নিবনুৱাৰ সংখ্যা প্ৰায় ১০০ নিযুত হ'ব। মহিলাসকলৰ কৰ্মসংস্থাপন নোহোৱা হৈ পৰিছে। চীনত সুস্থিৰ বাতাবৰণ নোহোৱা হৈছে আৰু দুৰ্নীতিয়ে সমগ্ৰ চীনক ছানি ধৰিছে। জনসাধাৰণৰ বিশেষকৈ চহৰ আৰু গাঁৱলীয়া জনতাৰ মাজত অৰ্থনৈতিক বৈষম্য যথেষ্ট বৃদ্ধি পাইছে।

চীনৰ জনতাৰ আৰ্থিক দিশত যদিও কিছুমান বিসংগতিয়ে দেখা দিছে, তথাপি আমি স্বীকাৰ কৰিব
লাগিব যে চীনে বৰ্তমান আঞ্চলিক আৰু গোলকীয়ভাৱে অৰ্থনৈতিক ক্ষমতা আহৰণ কৰিবলৈ সক্ষম হৈছে।
চীনৰ সৈতে জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ, আছিয়ান আৰু ৰাছিয়াৰ পূৰ্বতে যি অপ্ৰীতিকৰ সম্পৰ্ক আছিল
তাক অৰ্থনৈতিক সম্পৰ্কই পুনৰ অনুকূল পৰিৱেশৰ সৃষ্টিত অৰিহণা যোগাইছে। চীনৰ অৰ্থনৈতিক উন্নতিয়ে
"আছিয়ান" সদস্যভুক্ত ৰাষ্ট্ৰসমূহক যিদৰে চিহ্নিত কৰি তুলিছিল তাৰ অন্ত হৈছিল, যেতিয়া চীনে 'আছিয়ান'
সদস্যভুক্ত ৰাষ্ট্ৰসমূহক ১৯৯৭ চনত আৰ্থিক বিপৰ্যয়ৰ সময়ত সহায় কৰি ইয়াৰ অৰ্থনৈতিক অৱস্থাৰ সুস্থিৰতা
আনিছিল। চীনে লেটিন আমেৰিকা আৰু আফ্ৰিকাত কৰা বিনিয়োগ আৰু সাহায্যই বিশ্বৰ দৃষ্টি আকৰ্ষণ
কৰিবলৈ সক্ষম হৈছে। □□

*প্ৰসংগ পুথিঃ*

1. ড° শৰ্মা জয়ন্ত কৃষ্ণ আৰু ড° কলিতা দিগন্ত ঃ "তুলনামূলক চৰকাৰ আৰু ৰাজনীতিৰ পৰিচয়" অৰুণ প্ৰকাশন। পৃষ্ঠা -১৮৭, ১৮৮, ১৮৯
2. ড° পাল কৃপেশ চন্দ্ৰ, নায়ক পুতুল চন্দ্ৰ, ড° কলিতা ৰাতুল চন্দ্ৰ, ৰায় বিবেকানন্দ ঃ "আন্তৰ্জাতিক সম্পৰ্ক আৰু বিশ্ব ইতিহাসৰ দৃশ্যপট" (অক্টোবৰ, ২০২০, সংশোধিত নতুন সংস্কৰণ), অৰুণ প্ৰকাশন। পৃষ্ঠা-২১৩, ২৩২
3. শৰ্মা দুৰ্গাকান্ত, জামান ৰফিক, বৰুৱা মানস প্ৰতিম ঃ "ৰাজনীতি বিজ্ঞান (সমসাময়িক বিশ্ব ৰাজনীতি আৰু স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতি)" (মাৰ্চ, ২০১৮, দ্বাদশ প্ৰকাশ), অসম বুক ডিপো। পৃষ্ঠা- ৬৬, ৬৭, ৬৮

# সামাজিক মাধ্যমঃ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ প্ৰভাৱ

প্ৰতীক্ষা কলিতা
প্ৰাক্তন ছাত্ৰী,
ৰাজনীতি বিজ্ঞান বিভাগ

আজিকালি শিক্ষা সংযোগৰ জগতখনত শিক্ষাৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। ইণ্টাৰনেটৰ ব্যৱহাৰে যেনেকৈ পৃথিৱীখন সৰু কৰি তুলিছে, তেনেকৈ সামাজিক মাধ্যমেও জনসাধাৰণক ওচৰ চপাই আনিছে। ছ'চিয়েল মিডিয়া অৰ্থাৎ সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ফলত মানুহৰ শিক্ষা লাভ কৰাৰ ধৰণো সলনি হৈ পৰিছে। সামাজিক মাধ্যম আৰু শিক্ষাক ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰিলে এটা আনটোৰ পৰিপুৰককৈহে উঠিব পাৰে। ইয়াৰ দ্বাৰা নতুন নতুন শৈক্ষিক সম্ভাৱনাও গঢ়ি উঠিছে। কিন্তু বহুতেই সামাজিক মাধ্যমক শৈক্ষিক ক্ষেত্ৰত অৱনতি ঘটা সঁজুলি বুলিয়েই বিবেচনা কৰে। অৱশ্যেই ইয়াৰ নেতিবাচক দিশ আছে, কিন্তু ইয়াৰ ইতিবাচক দিশসমূহো নুই কৰিব নোৱাৰি।

সামাজিক মাধ্যম অৰ্থাৎ ছ'চিয়েল মিডিয়া হৈছে এটা ভাৰ্চুৱেল নেটৱৰ্ক আৰু সম্প্ৰদায়ৰ জৰিয়তে ধাৰণা, চিন্তা আৰু তথ্য বিনিময় কৰাত সুবিধা প্ৰদান কৰা কম্পিউটাৰ ভিত্তিক প্ৰযুক্তি। এই মাধ্যমৰ দ্বাৰা মানুহে পৰস্পৰৰ ধাৰণা আৰু তথ্যসমূহ আদান-প্ৰদান কৰে। বৰ্তমান সময়ত জনপ্ৰিয় কেইটামান সামাজিক মাধ্যম হৈছে- ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটচ্‌আপ, টুইটাৰ, ইউটিউব আদি।

বৰ্তমান সময়ত এজন ছাত্ৰৰ সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে সামাজিক মাধ্যম।
গৱেষণাৰ তথ্য অনুসৰি ছাত্ৰসকলৰ মাজত বহুলভাৱে প্ৰচলিত সামাজিক মাধ্যমসমূহ হৈছে - হোৱাটচ্‌আপ
(৮৩.৩%), ফেচবুক (৭৮.০%), টুইটাৰ (১২.৮%), ইনষ্টাগ্ৰাম (৭.৫%), লিংকডিন (৭.৯%), স্নেপ্‌শ্বট
(১.৮%)। এই সামাজিক মাধ্যমসমূহৰ পৰা ছাত্ৰ জীৱনত ইতিবাচক আৰু নেতিবাচক দুয়োধৰণৰ প্ৰভাৱ
পৰিছে। ইয়াৰ দ্বাৰা ছাত্ৰ জীৱনত পৰা ইতিবাচক প্ৰভাৱসমূহ হ'ল –

◆ সামাজিক মাধ্যমে অনলাইন শিক্ষাৰ সুবিধা প্ৰদান কৰে। ইয়াৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ
বাবে উপলব্ধ বিভিন্ন অনলাই লাৰ্নিং প্লেটফৰ্মৰ জৰিয়তে শিকিবলৈ ব্যৱহাৰ কৰিছে। শিক্ষামূলক ভিডিঅ'
চোৱাৰ বাবে ইউটিউবৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীক জ্ঞান লাভ কৰাত সহায় কৰিছে।

◆ অনলাইন শিক্ষাৰ বাবে সামাজিক মাধ্যমত ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিব পৰা বহুতো গ্ৰুপ আছে,
যি সমূহ গ্ৰুপৰ পৰা তেওঁলোকৰ লাগতিয়াল তথ্য সংগ্ৰহৰ সুবিধা লাভ কৰিব পাৰে। এনে গ্ৰুপসমূহ

হোৱাট্‌ছআপ, টুইটাৰ, ফেচ্‌বুক আদি যিকোনো মাধ্যমত পৰিলক্ষিত হয়।

◆ সামাজিক মাধ্যমত ছাত্ৰ-ছাত্ৰীসকলে বহলভাৱে জ্ঞান অৰ্জনত সুবিধা হয়। যিকোনো বিষয়ৰ জ্ঞান লাভৰ বাবে এই মাধ্যমসমূহে পৰ্যাপ্ত তথ্য যোগান কৰাত সহায় কৰে আৰু তথ্যৰ বহল জ্ঞান লাভ কৰিব পাৰে।

◆ সামাজিক মাধ্যমে ছাত্ৰ-ছাত্ৰীসকলক আনৰ পৰা শিকি পিছত নিজেই কাৰ্যকৰী কৰাৰ অনুমতি দি তেওঁলোকৰ সৃষ্টিশীল দক্ষতা বিকাশ কৰিবলৈ অনুমতি দিয়ে। ফলস্বৰূপে এজন ছাত্ৰ আন এজনৰ পৰা দেখি, শিকি নিজৰ দক্ষতা বিকাশ কৰিব পাৰে।

◆ সামাজিক মাধ্যমে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সম্পৰ্ক কৰাত সহায় কৰে। ইয়ে একাধিক লোকক একত্ৰিত কৰি বিভিন্ন শৈক্ষিক সমস্যা সমাধা কৰাত সহায় কৰে।

সামাজিক মাধ্যমৰ জৰিয়তে ছাত্ৰ জীৱনত এনেসমূহ ইতিবাচক দিশত প্ৰভাৱ বিস্তাৰ হয়। কিন্তু যেনেদৰে সকলো বস্তুৰেই দুটা দিশ থাকে তেনেকৈ সামাজিক মাধ্যমেৰে নেতিবাচক দিশও আছে। তেনে দিশসমূহ হ'ল –

● সামাজিক মাধ্যমে সময়ৰ অপব্যয় কৰে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে সামাজিক মাধ্যমতে ব্যস্ত হৈ বাস্তৱ জীৱনৰ লক্ষ্য পাহৰি যায়। পঢ়া-শুনাৰ সলনি কেৱল ফেচ্‌বুক, ইন্‌ষ্টাগ্ৰাম, হোৱাট্‌ছআপ আদিত নিজৰ মূল্যৱান সময় অপব্যয় কৰে।

● বহু ছাত্ৰ-ছাত্ৰীয়ে কেৱল সামাজিক মাধ্যমতে সময় দিয়ে। নিজৰ মূল্যৱান সময় কেৱল গেজেটতে আবদ্ধ হৈ ৰয়। ফলত তেওঁলোকৰ শৈক্ষিক জীৱনত বিশেষভাৱে প্ৰভাৱ পৰে।

● বেছি সময় ধৰি কম্পিউটাৰ, মোবাইল ফোন, বিভিন্ন গেজেট ব্যৱহাৰ কৰিলে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ চকুৰ দৃষ্টি ক্ষমতা হ্ৰাস, শাৰিৰীক আৰু মানসিক চাপৰ সন্মুখীন হ'ব পাৰে।

● এই মাধ্যমৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ নিজ শিক্ষণ আৰু গৱেষণা ক্ষমতা হ্ৰাস পায়। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সকলো সহজে উপলব্ধ হোৱাৰ ফলত তেওঁলোকৰ শিক্ষণ আৰু গৱেষণা ক্ষমতাও ঋণাত্মক প্ৰভাৱ পৰে।

● বেছিভাগ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সামাজিক মাধ্যমৰ সঠিক ব্যৱহাৰৰ সলনি ইয়াৰ অপব্যৱহাৰ কৰাহে পৰিলক্ষিত হয়। ফলত শিক্ষাৰ দিশটোও তেওঁলোক পিছ পৰি ৰয়।

গতিকে সামাজিক মাধ্যম ব্যৱহাৰ কৰোঁতাজনৰ হাতত হে থাকে তেওঁ সামাজিক মাধ্যমৰ দ্বাৰা নিজৰ বিকাশ কৰিব নে কেৱল সেই জগতখনত উটি ভাঁহি ফুৰিব। কোনো এজন ছাত্ৰ বা ছাত্ৰীয়ে এই মাধ্যম ব্যৱহাৰৰ সময়ৰ নিজৰ বিকাশ সাধনৰ চেষ্টা কৰিলে ই কেতিয়াও অপকাৰ কৰিব নোৱাৰে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃসকলেও গুৰুত্ব দিয়া উচিত।

আজিৰ দিনত সামাজিক মাধ্যম এটা গুৰুত্বপূৰ্ণ মাধ্যম। সামাজিক মাধ্যমৰ যোগেদিয়ে বহুতো লেখক-লেখিকা, শিল্পী আদিয়ে নিজৰ নাম উজলাব পাৰিছে। গতিকে ছাত্ৰ-ছাত্ৰীয়েই হওঁক বা যিকোনো লোকেই হওঁক তেওঁলোকে নিজেই ঠিক কৰা প্ৰয়োজন যে যাতে কেৱল ভাল কৰ্মৰ বাবেহে সামাজিক মাধ্যম ব্যৱহাৰ কৰে। ☐☐

# পৰিৱৰ্তিত পৰিস্থিতিত ভাৰত-চীন সম্পৰ্কৰ মূল্যায়ন

গাৰ্গী মেধি
প্ৰাক্তন ছাত্ৰী
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ**

পশ্চিমীয়া সাম্ৰাজ্যবাদৰ কবলত পৰাৰ আগেয়ে ভাৰত আৰু চীন উভয়েই এছিয়াৰ একো-একোটা বৃহৎ শক্তি আছিল। ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্ক বহুত পুৰণি। অতীজৰে পৰা এই দুই চুবুৰীয়া ৰাষ্ট্ৰৰ মাজত সাংস্কৃতিক আদান-প্ৰদান চলি আছিল। ১৯৪৯ চনৰ বিপ্লৱৰ পিছত কমিউনিষ্ট অথবা সাম্যবাদী ৰাষ্ট্ৰত পৰিণত হোৱা চীনক স্বীকৃতি প্ৰদান কৰা প্ৰথম ৰাষ্ট্ৰসমূহৰ মাজত অন্যতম আছিল ভাৰত। জৱাহৰলাল নেহৰুৱে চীনৰ সৈতে আৰম্ভণিৰে পৰা সু-সম্পৰ্ক গঢ়ি তোলাত গুৰুত্ব দিছিল। নেহৰুৰ এই চীন প্ৰীতিত অসন্তুষ্ট হৈছিল ভালে সংখ্যক ভাৰতীয় নেতা। উদাহৰণস্বৰূপে, ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা চৰ্দাৰ বল্লভভাই পেটেলৰ চীনৰ মনোভাবৰ প্ৰতি যথেষ্ট সন্দেহ আছিল। তেওঁ এই সন্দেহ প্ৰকাশ কৰি নেহৰুলৈ এখন পত্ৰত লিখিছিল, "....... যদিও আমি চীনক বন্ধু হিচাপে ভাবো, চীনে আমাক বন্ধুৰূপে নাভাৱে।" ইয়াৰ বিপৰীতে নেহৰুৱে কাহানিও ধাৰণা কৰা নাছিল যে চীনৰ পৰা ভৱিষ্যতে কিবা ভাবুকি আহিব। উল্লেখযোগ্য যে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সু-সম্পৰ্ক আৰু বিশ্বাসৰ বাবে সীমান্ত অঞ্চলত সেনাবাহিনীৰ পৰিৱৰ্তে অৰ্ধ-সামৰিক বাহিনী নিয়োজিত কৰা হৈছিল।

ভাৰতৰ প্ৰধানমন্ত্ৰী নেহৰু আৰু চীনৰ মুৰব্বী চৌ-এন লায়ে ১৯৫৪ চনৰ ২৯ এপ্ৰিলত পঞ্চশীল অৰ্থাৎ সহ-অৱস্থানৰ পাঁচটা নীতি যুটীয়াভাৱে ঘোষণা কৰে। ইয়াৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হৈ পৰে। ফলত ভাৰত আৰু চীনৰ নেতাসকলে দুয়োখন দেশতে বিপুল সমাদৰ লাভ কৰিছিল। দুয়োখন ৰাষ্ট্ৰৰ নেতৃবৰ্গৰ মাজত অহা-যোৱা নিয়মীয়াকৈ চলি আছিল। অৱশ্যে ভাৰত-চীনৰ এই সম্পৰ্ক অধিক নাথাকিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত আৰু চীনে বিদেশী শক্তি বহিষ্কাৰ কৰাৰ পাছত দুয়োখন দেশৰ মাজত সু-সম্পৰ্ক গঢ়ি উঠিব বুলি আশা কৰা হৈছিল। এই কথাও বহুতে ভাবিছিল যে এছিয়াৰ এই বৃহৎ দুয়োখন দেশে লগলাগি তৃতীয় বিশ্বৰ তথা এছিয়াৰ ভৱিষ্যত নিৰ্ণয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কিছুদিনৰ বাবে "হিন্দী-চীনা ভাই-ভাই" শ্ল'গানে এই আশাপ্ৰদ ভৱিষ্যতৰ ইংগিত বহন কৰিছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন কাৰণত দুয়োখন দেশৰ মাজত থকা তলত পৰিৱৰ্তিত পৰিস্থিতিত

ভাৰত-চীন সম্পৰ্কৰ মূল্যায়ন কৰা হ'ল -

ক) সীমা বিবাদ ঃ

ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটা এটা মুখ্য কাৰণ হ'ল, দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সীমা বিবাদ। এই সীমা বিবাদৰ মুখ্য কাৰক কেইটা তলত আলোচনা কৰা হ'ল।

i) মেকমোহন ৰেখা ঃ

ব্ৰিটিছ শাসনৰ দিনত ১৯১৪ চনত 'মেকমোহন ৰেখা'ৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছিল। ভাৰতৰ মতে সীমা সমস্যাটো ব্ৰিটিছৰ দিনতে সমাধান হৈছিল। কিন্তু চীনে মত প্ৰকাশ কৰে যে ঔপনিৱেশিক শাসকে গ্ৰহণ কৰা সিদ্ধান্ত প্ৰযোজ্য হ'ব নোৱাৰে। দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সীমা বিবাদ হিমালয়ৰ পাদদেশত থকা ৪,২০০ কিলোমিটাৰ পশ্চিম আৰু পূব সীমান্তক কেন্দ্ৰ কৰি সংঘটিত হয়।

ii) তিব্বত ঃ

মধ্য এছিয়াৰ সমভূমি অঞ্চলক তিব্বত বছছুলি কোৱা হয়। এই তিব্বতক লৈ ভাৰত আৰু চীনৰ মাজত উত্তেজনা সংঘটিত হৈ থাকে। সময়ে-সময়ে চীনে তিব্বতত প্ৰশাসনীয় নিয়ন্ত্ৰণৰ দাবী উত্থাপন কৰি আহিছে। ১৯৫০ চনত চীনে তিব্বতৰ শাসনভাৰ গ্ৰহণ কৰাত অধিক সংখ্যক জনতাই এই কাৰ্যৰ বিৰোধিতা কৰিছিল। ভাৰতে তিব্বতক স্বাধীনতা দিয়াৰ বাবে চীনক উদ্‌গণি দিছিল। যেতিয়া ১৯৫৪ চনত ভাৰত আৰু চীনৰ মাজত পঞ্চশীল চুক্তিত স্বাক্ষৰ হৈছিল তেতিয়া তাৰ এটা অনুচ্ছেদত পৰস্পৰ ভূ-খণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বক সমান প্ৰদৰ্শন কৰাৰ কথা উল্লেখ আছে। ভাৰতে চীনৰ তিব্বতৰ ওপৰত কৰা দাবীক সমৰ্থন কৰিছিল। তিব্বতৰ ধৰ্মীয় গুৰু দালাই লামা চীনৰ প্ৰধানমন্ত্ৰী চৌ এন লাইৰ ১৯৫৬ চনত ভাৰতলৈ অহা চৰকাৰী ভ্ৰমণৰ সংগী হৈছিল। তেওঁ নেহৰুক তিব্বতৰ পুতৌলগা অৱস্থাৰ বিষয়ে জনাইছিল। কিন্তু চীনে ভাৰতক আগতে জনাইছিল যে তিব্বতক চীনৰ অন্যান্য অঞ্চলৰ তুলনাত অধিক স্বতন্ত্ৰতা দিয়া হ'ব। ১৯৫৮ চনত তিব্বতত চীনৰ অধিকাৰৰ বিৰুদ্ধে এটা সশস্ত্ৰ বিদ্ৰোহ সংঘটিত হয়। চীনে ১৯৫০ চনত তিব্বত অধিকাৰ কৰাৰ সময়ত ভাৰতে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলেও মনে মনে ক্ষুন্ন হৈছিল। তিব্বত ভাৰত আৰু চীনৰ মাজত অৱস্থিত। তিব্বতৰ সশস্ত্ৰ বিদ্ৰোহ চীনৰ সামৰিক বাহিনীয়ে দমন কৰে। যেতিয়া পৰিস্থিতি বেয়াৰ পিনে ঢাল খালে তেতিয়া ১৯৫৯ চনত তিব্বতৰ ধৰ্মগুৰু দালাই লামাই ভাৰতীয় সীমান্ত অতিক্ৰম কৰি ভাৰতত ৰাজনৈতিক আশ্ৰয় বিচাৰে। ভাৰত চৰকাৰে তেওঁৰ এই অনুৰোধ মানি লয় আৰু তেওঁক ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰে। আনহাতে বহুসংখ্যক তিব্বতৰ নাগৰিকেও ভাৰতত শৰণাৰ্থী হিচাপে আশ্ৰয় গ্ৰহণৰ ইচ্ছা প্ৰকাশ কৰে। ভাৰত চৰকাৰৰ এই কাৰ্যত চীন চৰকাৰে কঠোৰ ভাষাৰে আপত্তি কৰে ফলস্বৰূপে তিব্বত, ভাৰত আৰু চীনৰ মাজৰ উদ্বিগ্নতাৰ বিষয়ত পৰিণত হয়। চীনে দালাই লামাক ভাৰতে ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰাত ক্ষুন্ন হয় আৰু অভিযোগ উত্থাপন কৰে যে ভাৰত চৰকাৰে ভাৰতৰ ভূমিত চীন বিৰোধী কাৰ্যকলাপ চলোৱাৰ অনুমতি দিছে। গতিকে তিব্বতক লৈ সংঘটিত হোৱা এই সংঘাতেও ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটাইছে।

iii) জম্মু আৰু কাশ্মীৰৰ লাডাখ অঞ্চলৰ আকচাই চীন আৰু অৰুণাচল প্ৰদেশঃ

চীন আৰু ভাৰতৰ মাজত সীমা বিবাদৰ আন এটা কাৰণ হ'ল জম্মু আৰু কাশ্মীৰৰ লাডাখ অঞ্চলৰ আকচাই চীন আৰু অৰুণাচল প্ৰদেশ। চীনে পশ্চিম আৰু পূব সীমান্তৰ এক বিশাল অঞ্চলৰ ওপৰত বিবাদ আৰম্ভ কৰিছিল আৰু পশ্চিম অঞ্চলৰ জম্মু আৰু কাশ্মীৰৰ লাডাখ অঞ্চলৰ আকচাই চীন আৰু অৰুণাচল প্ৰদেশৰ অধিকাংশ ভূমি দাবী কৰিছিল। সেই সময়ত অৰুণাচল প্ৰদেশক নেফা (North Eastern Frontier Agency, NEFA) নামেৰে জনা গৈছিল। ইয়াৰ উপৰি তেতিয়াৰ নেফা বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ বহু অঞ্চল। ১৯৫৭ চনৰ পৰা ১৯৫৯ চনলৈ চীনে আকচাই এলেকা অধিকাৰ কৰি পথ নিৰ্মাণ কৰে। এই সম্পৰ্কত দুয়োখন ৰাষ্ট্ৰ ভাৰত আৰু চীনৰ শীৰ্ষ নেতৃত্ব আলোচনাত কেইবাবাৰো মিলিত হয় যদিও কোনো সমাধান সূত্ৰ বাহিৰ নহ'ল। সীমান্তত দুয়োখন দেশৰ সেনাৰ মাজত সৰু সৰু সশস্ত্ৰ সংঘাত হয়।

**iv) চীন-ভাৰত যুদ্ধ, ১৯৬২ ঃ**

১৯৬২ চনৰ ২০ অক্টোবৰত চীনৰ সেনাবাহিনীয়ে পশ্চিম আৰু পূব সীমান্তত বৃহৎ আক্ৰমণ চলায়। প্ৰায় এসপ্তাহযোৱা প্ৰথমটো আক্ৰমণত চীনৰ সেনাই অৰুণাচল প্ৰদেশৰ (তেতিয়াৰ নেফা) কিছুমান গুৰুত্বপূৰ্ণ অঞ্চল অধিকাৰ কৰে। নৱেম্বৰ মাহত চীনে দ্বিতীয়টো আক্ৰমণ কৰে। ভাৰতীয় সেনাই পশ্চিম সীমান্তত চীনৰ সেনা বাহিনীয়ে প্ৰায় অপ্ৰতিহতভাৱে ভাৰতীয় সীমা অতিক্ৰম কৰি অসমৰ তেজপুৰলৈ আগবাঢ়ি আহে। চীনে অসমক ভাৰতৰ ভূমিৰ পৰা কাঢ়ি নিয়াটো প্ৰায় নিশ্চিত হৈ পৰে। আনকি প্ৰধানমন্ত্ৰী নেহৰুৱে অসমক ভাৰতৰ ভূমিৰ পৰা বিদায় দিয়াৰ দৰে ভাষণো দিয়ে। গুৰুত্বপূৰ্ণভাৱে হঠাৎ চীনে একপক্ষীয়ভাৱে যুদ্ধ বিৰতি ঘোষণা কৰি যুদ্ধৰ পূৰ্বৰ স্থানলৈ তেওঁলোকৰ সেনাবাহিনী অপসাৰণ কৰে। চীনৰ এই কাৰ্য সমগ্ৰ বিশ্বৰ বাবে আজিও ৰহস্য হৈ আছে। কি কাৰণেনো অসমলৈ অপ্ৰতিৰোধ্যভাৱে আগবাঢ়ি আহি চীনে প্ৰত্যাৱৰ্তন কৰে ইয়াৰ ব্যাখ্যা আজিলৈকে কোনোৱে আগবঢ়াবলৈ সমৰ্থ হোৱা নাই।

চীনৰ সৈতে হোৱা ১৯৬২ চনৰ যুদ্ধই ভাৰতৰ সামৰিক দুৰ্বলতা বিশ্ব সম্প্ৰদায়ৰ সন্মুখত স্পষ্টৰূপত প্ৰতিফলিত কৰিলে। সামৰিক দিশত ভাৰতৰ তুলনাত চীন যে বহু পৰিমাণে শক্তিশালী, সেয়া এই যুদ্ধৰ জৰিয়তে প্ৰমাণিত হ'ল। ভাৰতে আনকি সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনৰ ওচৰত সামৰিক সাহায্য বিচাৰিবলগীয়াত পৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে ভাৰত-চীন যুদ্ধত ছোভিয়েট ইউনিয়নৰ ভূমিকা নিৰপেক্ষ আছিল। চীনৰ বিৰুদ্ধে ভাৰতৰ হতাশাজনক আত্মসমৰ্পণে এক জাতীয় লজ্জাজনক পৰিস্থিতিৰ সৃষ্টি কৰে। অৱশ্যে ইয়াৰ লগতে জাতীয়তাবাদী ভাৱধাৰাটোও শক্তিশালী হৈ উঠে।

ভাৰতৰ শোচনীয় ব্যৰ্থতাৰ ফলস্বৰূপে আভ্যন্তৰীণ ৰাজনীতিৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন হয়। চীনৰ যুদ্ধৰ পিছত কেইবাগৰাকীও শীৰ্ষ সামৰিক বিষয়াই পদত্যাগ অথবা অৱসৰ গ্ৰহণ কৰে। নেহৰু মন্ত্ৰীসভাৰ প্ৰতিৰক্ষা মন্ত্ৰী ভি কৃষ্ণমেনলে পদত্যাগ কৰিবলৈ বাধ্য হয়। চীনৰ বিৰুদ্ধে শোচনীয় ব্যৰ্থতাৰ বাবে নেহৰু সাংঘাতিকভাৱে সমালোচিত হয়। চীনৰ মনোভাব বুজিবলৈ সমৰ্থ নোহোৱা আৰু সোনাবিহনীক সষ্টম কৰি ৰাখিব নোৱাৰাৰ বাবে নেহৰু সমালোচনাৰ সন্মুখীন হ'বলগীয়াত পৰে। স্বাধীন ভাৰতৰ ইতিহাসত প্ৰথমবাৰৰ বাবে চৰকাৰৰ বিৰুদ্ধে লোকসভাত অনাস্থা প্ৰস্তাৱ উত্থাপিত হয়। চীনৰ যুদ্ধৰ পিছত অনুষ্ঠিত হোৱা কেইবাটাও উপ-নিৰ্বাচনত কংগ্ৰেছ দলে পৰাজয়বৰণ কৰে। প্ৰকৃততে ইয়াৰ পৰাই ধীৰ গতিত ভাৰতৰ আভ্যন্তৰীণ

ৰাজনৈতিক পৰিৱৰ্তনৰ ধাৰা এটাৰ আৰম্ভ হয়। শাসকীয় কংগ্ৰেছ দলৰ লগতে বিৰোধী পক্ষতো কিছু পৰিৱৰ্তন পৰিলক্ষিত হয়। চীন-ভাৰত সংঘাত আৰু ছোভিয়েট ইউনিয়ন আৰু চীনৰ মাজত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক কেন্দ্ৰ কৰি গঢ়ি উঠা মতবিৰোধে ভাৰতৰ এটা প্ৰধান বিৰোধী দল ভাৰতীয় সাম্যবাদী দল Communist Party of India (CPI) ৰ আভ্যন্তৰীণ ক্ষেত্ৰত মতানৈক্যৰ সৃষ্টি কৰে। ছোভিয়েট ইউনিয়নৰ প্ৰতি সমৰ্থন থকা ফৈদটোৱে কংগ্ৰেছৰ সৈতে অধিক ঘনিষ্ঠতা গঢ়ি তুলিবলৈ আগবাঢ়ি অহাৰ বিপৰীতে আনটো ফৈদ চীনৰ ওচৰ চাপি আহে। ১৯৬৪ চনত দলটো আনুষ্ঠানিকভাৱে বিভাজিত হয়। চীনৰ প্ৰতি নমনীয়তা প্ৰদৰ্শন কৰা ফৈদটোৱে ভাৰতীয় সাম্যবাদী দল (মাৰ্ক্সবাদী) গঠন কৰে। এই দলৰ বহুকেইগৰাকী নেতাক পিছলৈ আটক কৰাও হৈছিল।

ভাৰত আৰু চীনৰ মাজত এই তিক্ততাপূৰ্ণ সহাৱস্থান প্ৰায় এক দশক ধৰি চলি থাকে। ১৯৬২ চনত হোৱা যুদ্ধৰ ফলত ৰাষ্ট্ৰ দুখনৰ মাজত থকা সম্পৰ্ক বেয়াৰ ফালে ঢাল খাইছিল। ১৯৭৬ চনলৈ দুয়োখন ৰাষ্ট্ৰৰ কূটনৈতিক সম্পৰ্কৰ কোনোধৰণৰ উন্নতি হোৱা নাছিল। অৱশ্যে ১৯৭০ চনৰ মাজভাগত চীনৰ ৰাজনৈতিক নেতৃত্ব সলনি হোৱাৰ ফলত ৰাষ্ট্ৰ দুখনৰ মাজৰ সম্পৰ্ক ক্ৰমাগতভাৱে উন্নতি হ'বলৈ আৰম্ভ কৰিছিল। ভাৰত আৰু চীনৰ সম্পৰ্ক আদৰ্শগতকৈ বেছি বাস্তৱবাদী আছিল। ১৯৭৬ চনত পুনৰ দুই ৰাষ্ট্ৰৰ মাজত পূৰ্ণ পৰ্যায়ৰ কূটনৈতিক সম্পৰ্ক স্থাপন হয়। ১৯৭৬ চনত কে আৰ নাৰায়ণন আৰু ১৯৭৮ আৰু ১৯৭৯ চনত ভাৰতৰ সেই সময়ৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা অটল বিহাৰী বাজপেয়ীয়ে শান্তি আৰু বন্ধুত্বৰ দূত হিচাপে চীন ভ্ৰমণ কৰে। ১৯৮১ চনত দুয়োখন দেশে সীমা সমস্যাৰ সমাধানৰ বাবে আলোচনাত মিলিত হৈছিল।

ভাৰত আৰু চীনৰ সম্পৰ্ক অধিক উন্নত কৰাৰ মানসেৰে ১৯৮৮ চনৰ ডিচেম্বৰ মাহত তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে চীন ভ্ৰমণ কৰিছিল। জৱাহৰলাল নেহৰুৰ পিছত চীন ভ্ৰমণ কৰা ৰাজীৱ গান্ধীয়ে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। ৰাজীৱ গান্ধীৰ এই ভ্ৰমণত উভয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল যে দুয়োখন ৰাষ্ট্ৰই সংঘাতৰ পৰা আঁতৰত থাকিব আৰু ৰাষ্ট্ৰ দুখনৰ সীমাত শান্তি অটুট ৰখাৰ পৰিৱেশ গঢ়ি তুলিব। তেওঁলোকে সাংস্কৃতিক সম্পৰ্কও স্থাপন কৰিব আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব। তদুপৰি দুয়োখন ৰাষ্ট্ৰৰ মাজত ব্যৱসায় বৃদ্ধিৰ বাবে সীমান্ত অঞ্চলত চাৰিটা পথ মুকলি ৰাখিব। ১৯৯৯ চনৰ পৰা প্ৰতি বছৰে চীন আৰু ভাৰতৰ বাণিজ্যিক ক্ষেত্ৰত ৩০ শতাংশ হাৰত বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে। এনে ঘটনাই দুয়োখন দেশৰ মাজত সৌহাৰ্দ্যৰ সম্পৰ্কৰ সুদৃঢ় কৰাত অৰিহণা যোগাইছে। ১৯৯২ চনত ভাৰত আৰু চীনৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ আছিল ৩৩৮ নিযুত মাৰ্কিন ডলাৰ (S338 million)। ২০০৬ চনত এই পৰিমাণ ১৮ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। শেহতীয়াভাৱে দুয়োখন দেশে সংঘাত সৃষ্টি কৰিব পৰা ক্ষেত্ৰসমূহতো সহযোগিতা কৰাৰ নীতি গ্ৰহণ কৰিছে। আন্তৰ্জাতিক অৰ্থনৈতিক স্তৰত যেনে- বিশ্ব বাণিজ্য সংস্থাৰ দৰে আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানতো ভাৰতবৰ্ষ আৰু চীনে একেধৰণৰ নীতি অৱলম্বন বা গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে।

চীনে ভাৰতবৰ্ষৰ প্ৰতিবেশী দেশ পাকিস্তানৰ পাৰমাণৱিক শক্তি প্ৰতিষ্ঠাত অৱিহণা যোগাইছে বুলি ভাৰতবৰ্ষই বিশ্বাস কৰে। ঠিক সেইদৰে চীনে বাংলাদেশ আৰু ম্যানমাৰৰ লগতো সামৰিক সম্পৰ্ক চলাই আহিছে। চীনৰ পৰা অহা ভাবুকি ৰোধৰ কৌশল হিচাপেই ভাৰতবৰ্ষই ১৯৯৮ চনত পাৰমাণৱিক পৰীক্ষা সম্পন্ন কৰে। এই প্ৰশ্নবোৰক কেন্দ্ৰ কৰিয়েই দুয়োখন দেশৰ মাজৰ সম্পৰ্কক পুনৰবাৰ বিঘ্নিত হ'ব বুলি শংকা কৰা হৈছিল। কিন্তু, এতিয়ালৈকে তেনে পৰিস্থিতিৰ উদ্ভৱ হোৱা নাই। এই প্ৰশ্নবোৰে দুয়োখন দেশৰ মাজত সংঘাত সৃষ্টি কৰাৰ সম্ভাৱনাও কম। দুয়োখন দেশৰ মাজত থকা সীমা বিবাদ সমাধানৰ বাবে বিভিন্ন পৰ্যায়ত আলোচনা অনুষ্ঠিত হৈ আহিছে। এই ক্ষেত্ৰত সামৰিক সহযোগিতাও বৃদ্ধি পাইছে। অন্যহাতে, বিগত সময়ছোৱাত দুয়োখন দেশৰ ৰাজনৈতিক নেতৃত্বই বেইজিং আৰু নতুন দিল্লী ভ্ৰমণ কৰিছে।

অতি সম্প্ৰতি উত্তৰ-পূব ভাৰতত চীনক কেন্দ্ৰ কৰি কিছুমান নতুন বিতৰ্ক আৰম্ভ হৈছে। শেহতীয়াভাৱে অৰুণাচল প্ৰদেশ আৰু ব্ৰহ্মপুত্ৰ নদীত বান্ধ নিৰ্মাণ কৰা বিষয়ক কেন্দ্ৰ কৰি ৰাষ্ট্ৰ দুখনৰ মাজত সংঘাত আৰম্ভ হৈছে। মাজে সময়ে এনে বাতৰি পৰিৱেশন হৈছে যে চীনে ব্ৰহ্মপুত্ৰ ভেটি বান্ধ নিৰ্মাণৰ প্ৰস্তুতি চলাইছে। এনে পদক্ষেপে ব্ৰহ্মপুত্ৰ তথা ইয়াৰ উপনদীসমূহৰ পানীৰ গতি হ্ৰাস কৰিব বুলিও শংকা ব্যক্ত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে এনে বাতৰি ভিত্তিহীন বুলি কৈ আহিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ স্থিতিয়ে উত্তৰ-পূব ভাৰতৰ, বিশেষকৈ অসমৰ বহু লোকক আশ্বস্ত কৰিব পৰা নাই। তদুপৰি, ২০১৭ চনত অৰুণাচল প্ৰদেশৰ ডোকলাম মালভূমি অঞ্চলত চীন তৎপৰতাপূৰ্ণ হৈ উঠে। এই অঞ্চলতে চীনে সীমা অতিক্ৰম কৰি ভাৰতীয় ভূমিৰ প্ৰায় ২০০ মিটাৰলৈ প্ৰৱেশ কৰাৰ অভিযোগ উত্থাপিত হয়। ভাৰতীয় সেনাই অঞ্চলটোত চীনা সৈন্যই প্ৰৱেশ কৰি পথ নিৰ্মাণত তথা পথ নিৰ্মাণ কাৰ্যক বাধা প্ৰদান কৰি উভতি যাবলৈ বাধ্য কৰে।

শেহতীয়াভাৱে ক'ৰোণা মহামাৰীৰ উদ্ভৱ চীন দেশত হোৱাক কেন্দ্ৰ কৰিও সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষৰ সৈতেও চীনৰ সম্পৰ্কৰ কিছু অৱনতি ঘটিছে। কিছুদিন পূৰ্বে লাডাখৰ গালোৱান উপত্যকাত সীমাক লৈ সৃষ্টি হোৱা বিবাদক কেন্দ্ৰ কৰি দুয়োখন দেশৰ সৈন্যৰ মাজত কিছু যুদ্ধময় পৰিৱেশৰ সৃষ্টি হয়। যাৰ ফলত দুয়োখন দেশৰ মাজত সম্পৰ্কৰ অৱনতি ঘটে। ভাৰত চৰকাৰে চীনা সামগ্ৰী দেশত আমদানি আৰু বিক্ৰী নিষিদ্ধ কৰাও পৰিলক্ষিত হৈছে। এনেবোৰ বিষয়ে যাতে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক ব্যাহত নকৰে, সেই কথাত দুয়ো দেশৰ চৰকাৰে গুৰুত্ব দিব লাগে আৰু মানুহৰ মাজত গঢ়ি উঠা শংকা দূৰীকৰণৰ বাবে পদক্ষেপ হাতত ল'ব লাগে।

**সামৰণি ঃ**

ভাৰত আৰু চীনক বৰ্তমান বিশ্বৰ ভৱিষ্যত মহাশক্তিৰূপে আখ্যা প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰ দুখনৰ অগ্ৰগতিৰ বাবে দুয়োখন ৰাষ্ট্ৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা দৰকাৰ। বিশেষকৈ ইন্ধন আৰু পৰিৱেশৰ বিষয়ত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত দুয়োখন ৰাষ্ট্ৰৰ ঘণিষ্ঠ সহযোগিতা অত্যাৱশ্যকীয়। অৱশ্যে, এছিয়া মহাদেশত আধিপত্য বিস্তাৰক কেন্দ্ৰ কৰি দুয়োখন ৰাষ্ট্ৰৰ মাজত শত্ৰুতা বৃদ্ধিৰো আশংকা নোহোৱা নহয়। ভাৰতে কেনেদৰে চীনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে ইয়াৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিব ভাৰতৰ বৈদেশিক নীতিৰ সফলতা। পাকিস্তানৰ সামৰিক আৰু পাৰমাণৱিক সামৰ্থ বৃদ্ধিৰ বাবে চীনে পদ্ধতিগতভাৱে কৰি অহা সহায়ে ভাৰতৰ

প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। অৰুণাচল প্ৰদেশ আৰু ব্ৰহ্মপুত্ৰ নদীৰ বান্ধ নিৰ্মাণক কেন্দ্ৰ কৰি ভাৰত-চীনৰ উদ্বিগ্নতা বৃদ্ধি পাইছে। এই মুহূৰ্তত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল ভাৰত-চীন সংঘাতৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে। বিশেষকৈ চীনৰ আকোঁৰগোজ মনোভাৱৰ বাবে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক তিক্ততাপূৰ্ণ হৈ আহিছে। সাম্প্ৰতিক সময়ত ভাৰতৰ নিউক্লিয়াৰ চাপ্লায়াৰ্ছ গ্ৰুপ (Nuclear Suppliers Group, NSG) ৰ সদস্যৰূপে নিৰ্বাচিত হোৱাত বাধা প্ৰদান, পাকিস্তানৰ কুখ্যাত সন্ত্ৰাসবাদী নেতা মাছুদ আজাহাৰক ৰাষ্ট্ৰসংঘৰ দ্বাৰা বিশ্বজনীন সন্ত্ৰাসবাদীৰূপে ঘোষণা কৰাৰ বিৰোধিতা, চীন-পাকিস্তান অৰ্থনৈতিক কৰিডৰ নিৰ্মাণ, তিব্বতৰ ধৰ্মগুৰু দালাই লামাৰ অৰুণাচল প্ৰদেশ ভ্ৰমণৰ বিৰোধিতা আদিৰে চীনে তেওঁলোকৰ ভাৰত বিৰোধী স্থিতি স্পষ্টভাৱে প্ৰদৰ্শন কৰিছিল। কিন্তু এছিয়া আৰু বিশ্বত শান্তি স্থাপন আৰু শান্তি বজাই ৰখাৰ বাবে ভাৰত আৰু চীনৰ মাজত সু-সম্পৰ্ক গঢ়ি উঠাটো প্ৰয়োজন। যোগাযোগৰ উন্নতিয়ে তথা বিশ্ব অৰ্থনীতিত দুয়োখন দেশৰ উমৈহতীয়া স্বাৰ্থই দেশ দুখনৰ মাজত ইতিবাচক তথা সুদৃঢ় সম্পৰ্ক স্থাপন কৰাত অৰিহণা যোগাব বুলি আশা কৰিব পাৰি। ◻◻

# মুক্তিযোদ্ধা লাচিত বৰফুকন

মনিকা চৌধুৰী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

**আৰম্ভণি ঃ**

আহোমৰ এজন বীৰ, স্বদেশপ্ৰেমী, যোদ্ধা আছিল লাচিত বৰফুকন। লাচিত বৰফুকনৰ জন্ম হৈছিল ১৬২২ খ্ৰীষ্টাব্দৰ ২৪ নৱেম্বৰত। লাচিত বৰফুকনৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰুৱা আৰু তেওঁৰ মাতৃৰ নাম আছিল নাগেশ্বৰী। লাচিতৰ সততা, কৰ্তব্যপৰায়ণতা, কৰ্মনিষ্ঠা গুণসমূহৰ বাবেই 'বীৰ' হিচাপে পৰিচিত আছিল।

**শিক্ষা ঃ**

লাচিত বৰফুকনৰ জন্ম ৰাজকীয় পৰিয়ালত হোৱাৰ বাবেই তেওঁ সামৰিক শিক্ষা লাভ কৰিছিল। তেওঁ ধনুবিদ্যা, অস্ত্ৰৰ প্ৰচলন, সামৰিক কৌশল সকলো শিক্ষা আহৰণ কৰিছিল। তেওঁ ইমানেই সুদক্ষ আৰু নিপুন আছিল যে প্ৰতিটো বিদ্যা, সামৰিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰচলন সহজতেই আয়ত্ত কৰিছিল।

**ভূমিকা ঃ**

অসমৰ ইতিহাসত লাচিত বৰফুকনৰ অৱদান অতুলনীয়। তেখেতে আহোমৰ সেনাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আহোমৰ স্বৰ্গদেউ চুকাফাৰ বংশধৰ আছিল লাচিত বৰফুকন।

বৰফুকনে প্ৰথমে ঘোঁৰাবৰুৱা হিচাপে নিজৰ কৰ্মত যোগদান কৰিছিল। পিছলৈ হাঁতীবৰুৱা, দুলীয়া বৰুৱা হিচাপে নিজৰ কৰ্ম কৰে।

তেওঁ ১৬৬৭ চনত হোৱা আহোম-মোগলৰ যুদ্ধৰ মল গুৰিধৰোঁতা আছিল। আহোম-মোগলৰ এই যুদ্ধ শৰাইঘাটত অনুষ্ঠিত হৈছিল। লাচিত বৰফুকনে মোগলৰ লগত যুদ্ধ কৰিবলৈ সৈন্য-সামন্তক ভাল প্ৰশিক্ষণ দিয়াইছিল। শৰাইঘাটৰ যুদ্ধতেই তেওঁ মোমায়েকক নিৰ্দেশ দিছিল এৰাতিৰ ভিতৰতে গড় নিৰ্মাণ কৰিবলৈ। কিন্তু মোমায়েকৰ এলেহুৱাৰ বাবেই লাচিতে মোমায়েকক কাটিছিল। এয়াই আছিল লাচিতৰ দেশৰ প্ৰতি প্ৰেমৰ নিদৰ্শন। লাচিতে শৰাইঘাটৰ যুদ্ধত দেখুওৱা বীৰত্ব অভূতপূৰ্ব।

শৰাইঘাট যুদ্ধৰ প্ৰায় শেষ পৰ্যায়ত লাচিতে নৰিয়া গাৰেই নাওঁ লৈ যুদ্ধলৈ গৈছিল। লাচিতক দেখি আহোম সৈন্যই দুগুণ উৎসাহেৰে যুদ্ধ দিছিল মোগল সৈন্যবাহিনীৰ লগতে। আহোম সেনাপতি ৰামসিংহই

লাচিতৰ দুৰ্বলতাৰ সুযোগ ল'ব বিচাৰিছিল যদিও, তেওঁ সফল নহ'ল। ১৬৭১ খ্ৰীষ্টাব্দত আহোম সৈন্যবাহিনী আৰু লাচিতে মোগল সৈন্যবাহিনীক পৰাস্ত কৰে। তেতিয়া মোগল সেনাপতি ৰামসিংহই আঁচৰিত হৈ কৈছিল যে, অসমৰ সৈন্য আৰু লাচিত বৰফুকনৰ কৰ্মপৰায়ণতা।

লাচিত বৰফুকনে বৰফুকন পদবীটো ইমান সহজতেই লাভ কৰা নাছিল। তেওঁৰ কৰ্তব্য পৰায়ণতা, আত্মনিষ্ঠাৰ বাবেই বৰফুকনৰ দৰে এটি মৰ্যাদাসম্পন্ন পদবী লাভ কৰিছিল।

বৰফুকনে দেশৰ হকে আগবঢ়োৱা অৱদান অতুলনীয়। তেওঁৰ উক্তি, "দেশতকৈ মোমাই ডাঙৰ নহয়" অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি ৰ'ব। তেওঁৰ দৰে বীৰ অসমৰ ইতিহাসত নাই বুলিবই পাৰি।

**সামৰণি ঃ**

শৰাইঘাট যুদ্ধৰ শেষত লাচিতৰ তীব্ৰ জ্বৰ হোৱাৰ ফলত ১৬৭১ চনত তেওঁৰ মৃত্যু হয়। ১৯৭২ চনত উদয়াদিত্য সিংহই যোৰহাট জিলাৰ হেঙেৰাবাৰীত 'লাচিত মৈদাম' নিৰ্মাণ কৰে।

২৪ নৱেম্বৰৰ দিনটো অসমে লাচিত বৰফুকনৰ সোঁৱৰণত 'লাচিত দিৱস' হিচাপে পালন কৰে। তেওঁ অসমৰ বীৰ আছিল। লাচিতৰ দেশৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা, আন্তৰিক ভালপোৱাই তেওঁক অসমৰ ইতিহাসত বীৰ হিচাপে উজ্জ্বলাই ৰাখিব। অসমৰ যুৱপ্ৰজন্মৰ এক অনুপ্ৰেৰণাৰ উৎস লাচিত বৰফুকন।

"লাচিতৰ দেশৰে আমি ডেকা ল'ৰা
মৰিবলৈ নাই ভয়।"

— এনেবোৰ গীত, কবিতাও তেওঁৰ নামত ৰচিত হৈছে।

লাচিতৰ নাম শুনিলেই বুকু কঁপি উঠে অসমীয়া ডেকা-গাভৰুৰ। তেজৰ শিৰে শিৰে বৈ লাচিতৰ নাম।

# Departmental Activities Photographs



**Prof. Dhuba Pratim Sarmah,** Gauhati University, **Prof. Praneswar Nath,** J.N. College and **Prof. Banima Talukdar** visited the Dept. on 18-04-2023



**Prof. Subhrajeet Kower,** Gauhati University visited the department.



The Best Department Award, 2022-23, B.P. Chaliha College



Educational Tour to Rajbari, Cooch Behar, West Bengal.